সংবাদ সেৱাৰে,দেশৰ সেৱাত ২৮ বছৰৰ এক অবিৰত যাত্ৰা...
Postal Redg. No. GH- 098/ 2015 - 17
গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

২৮ বছৰ, ৪৬ সংখ্যা, ৪ আঘোণ , ৰবিবাৰ, ১৪২৭ ভাস্কৰাব্দ, পঞ্জীয়ন নং ৫৩৮৮৩ / ৯৪
RNI No. 53883/94. GHY--781025. Vol. 28: Issue No. 46 * Date Of Publication - 21 November 2021 Rs.5.00/-

## সৰ্বশিক্ষা মিছনৰ অধীনত কৰ্মৰত আৱাসিক কৰ্মী সংস্থাৰ সংবাদ মেল




ৰঙিলী বাৰ্ত্তাসেৱা- ২০০৩ চনৰ পৰা কাম কৰি থকা অভিজ্ঞতাৰ ভিত্তিত সৰ্বশিক্ষা মিছনৰ অধীনত কৰ্মৰত আৱাসিক কৰ্মীসকলক বিনা টেট্‌ত নিযুক্তি প্ৰদান কৰিব লাগে। যিহেতু তেওঁলোকক টেট্ প্ৰযোজ্য হোৱাৰ আগতে নিযুক্তি দিয়া হৈছিল। এই মন্তব্য সদৌ অসম আৱাসিক বিশেষ প্ৰশিক্ষণ কেন্দ্ৰ কৰ্মী সংস্থাৰ সভাপতি আব্দুৰ ৰাজীৱৰ। সংগঠনটোৱে দিছপুৰ প্ৰেছ ক্লাবত আয়োজন কৰা সংবাদ মেলত আব্দুৰ ৰাজীৱে কয়- আমি ২০০৩ চনৰ পৰা সৰ্বশিক্ষাৰ অধীনত স্থাপন কৰা আৱাসিক কেন্দ্ৰ সমূহত কৰ্মৰত হৈ আছোঁ। এই কৰ্মী সকলক বিভাগীয় বাবে সম্পূৰ্ণ মেধাৰ ভিত্তিত যোগ্যতা অনুসৰি জিলা পৰ্য্যায়ত সাক্ষাৎকাৰৰ যোগেদি নিযুক্তি প্ৰদান কৰা হৈছিল ।এই কৰ্মী সকলে উক্ত কেন্দ্ৰ সমূহত ২৪ ঘণ্টা কৰ্মত নিয়োজিত হৈ থাকি শিক্ষাদান কৰি আহিছে । এই কেন্দ্ৰ সমূহত শিক্ষাৰ পৰা বঞ্চিত হৈ থকা শিশু শ্ৰমিক যেনে ফুটপাথত ভিক্ষা খুজি থকা শিশু, মানুহৰ ঘৰত বনকৰা হিচাপে থকা, শিল ভঙা কয়াৰীত কাম কৰা, চাহ হোটেলত কাম কৰা শিশু সকলক বুজাই আনি এই কেন্দ্ৰ সমূহত শিক্ষাদান কৰা হয় । কিন্তু অতি দুঃখৰ বিষয় এই কৰ্মী সকলক দৈনিক হাজিৰা কৰা কৰ্মীতকৈ কম মুজুৰি প্ৰদান কৰি তেওঁলোকৰ মানৱ অধিকাৰ খৰ্ব কৰি আহিছে সৰ্বশিক্ষা অভিযান মিছনে। চৰকাৰৰ বিভিন্ন সময়ৰ নিৰ্দেশনা অনুসৰি তেওঁলোকে ইতিমধ্যে শিক্ষক প্ৰশিক্ষণৰ সম্পূৰ্ণ ডিগ্ৰীও লবলৈ সক্ষম হৈছে। তথাপিও চৰকাৰে তেওঁলোকৰ মাননি বৃদ্ধিৰ লগতে চাকৰিৰ কোনো স্থায়ী নিযুক্তিৰ ব্যৱস্থা গ্ৰহণ কৰা নাই

( পাঁচ পৃষ্ঠাত চাওক)

## মাজুলীৰ ৰাসত গায়ত্ৰী মহন্তৰ কণ্ঠ আৰু নৃত্য সম্বলিত বৰগীতৰ দৃশ্য-শ্ৰব্য মুখ্যমন্ত্ৰী আৰু সত্ৰাধিকাৰে উন্মোচন কৰে



ৰঙিলী বাৰ্ত্তাসেৱা- এক বিস্তৃত কাৰ্যসূচীৰে সত্ৰীয়া সংস্কৃতিৰ পীঠস্থান মাজুলী ভ্ৰমণ কৰা অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বিভিন্ন চৰকাৰী প্ৰকল্প চৰজমিনভাৱে পৰিদৰ্শন কৰাৰ লগতে মাজুলীৰ কেইবাখনো সত্ৰৰ ৰাস উৎসৱত উপস্থিত থাকে। শ্ৰী শ্ৰী উত্তৰ কমলাবাৰী সত্ৰৰ ৰাস মহোৎসৱ উপলক্ষে অনুষ্ঠিত মুকলি সভাত অংশ লৈ ৰাইজক উদ্দেশ্যি ভাষণ প্ৰদান কৰাৰ লগতে মহাপুৰুষ মাধৱদেৱ বিৰচিত এটি বৰগীতৰ দৃশ্য-শ্ৰব্য উন্মোচন কৰে। উত্তৰ কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ শ্ৰী শ্ৰী জনাৰ্দন দেৱগোস্বামীৰ সৈতে ড° শৰ্মাই উন্মোচন কৰা এই 'দয়াৰ ঠাকুৰ' শীৰ্ষক বৰগীতটিত কণ্ঠদান কৰিছে জনপ্ৰিয় অভিনেত্ৰী গায়ত্ৰী মহন্তই। বৰগীতটিৰ দৃশ্যাংশত নৃত্য তথা অভিনয় কৰিছে গায়ত্ৰী মহন্ত, সত্ৰীয়া নৃত্য বিশাৰদ ৰামকৃষ্ণ তালুকদাৰ আৰু সংগীবৃন্দই। উল্লেখযোগ্য যে সংগীত নাটক একাডেমী ৰত্ন বটাঁ আৰু পদ্মশ্ৰী প্ৰাপক নব্বৈ ঊৰ্ধ নৃত্যাচাৰ্য যতীন গোস্বামীয়েও নৃত্যাংশত বিশেষ এভূমুকি মাৰিছে। প্ৰকল্পটোৰ সংগীত বিদ্যাসাগৰৰ আৰু ক'ৰিঅ'গ্ৰাফ পংকজ ইংতিৰ। নৃত্য উপদেষ্টা ৰামকৃষ্ণ তালুকদাৰ আৰু গুণাকৰ দেৱগোস্বামীৰ। কেমেৰাত প্ৰদীপ দৈমাৰী, কলা নিৰ্দেশক জ্যোতি শংকৰ ভট্টাচাৰ্য, ৰূপসজ্জাত অভিজিৎ ভূএগু, শব্দযন্ত্ৰী জিণ্টু বৰদলৈ আৰু সম্পাদনা অসীম শৰ্মাৰ। এগৰাকী অভিনেত্ৰী ৰূপে ইতিমধ্যে ৰাইজৰ আদৰ লভা গায়ত্ৰী মহন্তৰ সংগীত জগতত কণ্ঠশিল্পীৰূপে এয়া প্ৰথম পদক্ষেপ। শৈশৱৰে পৰা লোকনৃত্য-গীত তথা সত্ৰীয়া সংস্কৃতিৰ সৈতে জড়িত গায়ত্ৰী মহন্তই 'ব্ৰহ্মা ক্ৰিয়েচন' নামেৰে নিজে প্ৰযোজনা কৰা 'দয়াৰ ঠাকুৰ' বৰগীতটি বৰ্তমান ধ্বনি ৰেকৰ্ডচৰ ইউটিউব চেনেলত উপলব্ধ।

## সম্পাদকীয়ঃ

## আন্তঃৰাষ্ট্ৰীয় পুৰুষ দিৱস




নবেম্বৰ মাহৰ ১৯ তাৰিখ, এক বিশেষ দিন। 'বিশেষ দিন'...বহুতৰে হয়তো মনত প্ৰশ্নৰ উদয় হ'ব, ১৯ নবেম্বৰটো কি বিশেষ দিন হ'ব পাৰে ।দৰাচলতে এই দিনটোক এই কাৰণেই বিশেষ দিন বোলা হয় কাৰণ এই দিনটোত আন্তঃৰাষ্ট্ৰীয় পুৰুষ দিৱস (International Men's Day) উদযাপন কৰা হয় ।এই দিৱসটো আমাৰ অসমখনৰ কাৰণে একেবাৰেই নতুন যেন লগা এটি দিৱস। ১৯৯২ চনৰ পৰাই গোটেই বিশ্বতে এই দিৱস উদযাপন কৰি অহা হৈছে যদিও আমাৰ দেশত এই দিৱসৰ জনপ্ৰিয়তা তেনেই কম। যিদৰে আমি নাৰী দিৱসৰ প্ৰতি সচেতন তাৰ বিপৰীতে পুৰুষকো আমি মৰ্য্যদা দিয়াটো উচিত কিন্তু আমি এই ক্ষেত্ৰত সচেতন নহয় কাৰণ পুৰুষ হ'ল এটা পৰিয়ালৰ অভাৱ পূৰণৰ আহিলা নহয়নে ?? পুৰুষ এজোপা পৈনত গছৰ দৰে কাৰণ; এজন পুৰুষৰ ছত্ৰছাঁয়াত এটি পৰিয়ালে জিৰণি ল'ব পাৰে। যি বোজা লৈও ভাগৰি নপৰে ।যাৰ হাতত সদায় থাকে সাহসৰ দৰে এপাত শক্তিশালী অস্ত্ৰ। কেতিয়াবা এজন বিবাহিত পুৰুষৰ ক্ষেত্ৰত পত্নীৰ ফালৰ পৰা কিছু কিছু বাধা আহি পৰা দেখা যায়। যেনে ধৰাহওঁক কোনোবা বিপৰীত লিংগৰ লগত অকণমান হাঁহি মাতি কথা পাতিলেই লাগিলে নহয় সেইখিনিতেই লেঠা। পত্নীয়ে চালেই নহয় সন্দেহৰ চকুৰে...তাৰোপৰি কেতিয়াবা কিছুমান পুৰুষ এনে কিছুমান পৰিস্থিতিৰ সন্মুখীন হ'ব লগা হয় য'ত পত্নীৰ অকণমান সুখৰ বাবে নিজৰ আত্মীয়কো নিজৰ ল'ৰা-ছোৱালীৰ বিশেষ অনুস্থানত নিমন্ত্ৰণ কৰাৰ পৰা বিৰত থাকিব লগা হয় ।তেনেকুৱা পৰিস্থিতিত এজন পুৰুষৰ মনৰ অবস্থা কেৱল ভুক্তভোগীজনেহে বুজি পায় ।এফালে সমাজৰ সমালোচনা তো আছেই। তথাপিও সকলো নীৰবে সহ্য কৰি সাহসেৰে আগবাঢ়ি যায়। সেইবাবেই কোৱা হয় সাহসৰ অন্য এটি নাম পুৰুষ। কাহানিও চকুত লোটক বাগৰি নপৰাজনেই হ'ল পুৰুষ, যি সদায় নীৰবে কান্দে কিন্তু আনে জনাৰ পৰা বিৰত থাকে ।তেনে এজন পুৰুষৰ বাবে আমি এটা দিৱস উদযাপন কৰিব নোৱাৰোঁ নে ?মন কৰিলেই ছন। আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱসৰ যিদৰে প্ৰয়োজনীতা আছে, ঠিক সেইদৰে পুৰুষ দিৱসৰো প্ৰয়োজনীতা আছে। গতিকে আমি সকলোৱে এই দিনটো মনত ৰাখি পুৰুষ সকলক আগন্তুক বৰ্ষৰ পৰা পুৰুষ দিৱসটো নাৰীসকলেই সুন্দৰভাৱে উদযাপন কৰি তেওঁলোকক বিস্ময়ান্বিত কৰি বাধা-বিঘিনি হেলাৰঙেৰে অতিক্ৰম কৰিবলৈ আৰু জীৱনত আগবাঢ়ি যাবলৈ উৎসাহিত কৰো আহক।

# কৃষি আইনৰ দৰে কা আইনো বাতিল কৰকঃঅসম জাতীয় পৰিষদ

ৰঙিলী বাৰ্ত্তাসেৱা- গণসংগ্ৰামৰ জৰিয়তে যে মহাশক্তিধৰ কেন্দ্ৰীয় চৰকাৰক তেওঁলোকৰ স্থিতি সলনি কৰিবলৈ বাধ্য কৰিব পাৰি, কৃষি আন্দোলনৰ সাফল্যই এই কথা প্ৰমাণ কৰিলে। - এই মত অসম জাতীয় পৰিষদৰ। দলৰ মতে, জনসাধাৰণৰ যিকোনো ন্যায্য দাবী আৰু সেই দাবী সাব্যস্ত কৰিবলৈ জনতাই কৰা গণতান্ত্ৰিক আন্দোলনক নস্যাৎ কৰিবলৈ দমন-উৎপীড়ন চলোৱাৰ পৰা আৰম্ভ কৰি আন্দোলনকাৰীক অপযশ দিয়াৱৈকে সকলো কূটকৌশল ৰচনা কৰাত সিদ্ধহস্ত বিজেপি দলৰ চৰকাৰে গণতান্ত্ৰিক গণআন্দোলনৰ ওচৰত শিৰ নত কৰিবলৈ বাধ্য হ'ল। এয়া ভাৰতীয় সংবিধান, গণতন্ত্ৰ আৰু দেশৰ সংগ্ৰামী জনতাৰ জয়। এক বিবৃতিত দলৰ সভাপতি লুৰীণজ্যোতি গগৈ আৰু সাধাৰণ সম্পাদক জগদীশ ভূঞাই কৃষি আন্দোলনৰ সৈতে জড়িত সংগঠনসমূহ আৰু আন্দোলনকাৰী জনতাক অভিনন্দন জনাই কয়, "বিজেপিয়ে সদায় হয় কৰ্পোৰেটৰ স্বাৰ্থত নহ'লে তেওঁলোকৰ দলৰ ভোটবেংকৰ স্বাৰ্থত কাম কৰে। প্ৰথমে কৃষি আইন তিনিখন প্ৰণয়ন কৰিব বিচাৰিছিল কৰ্পোৰেটৰ স্বাৰ্থত। কিন্তু আন্দোলনকাৰী জনতাৰ ওচৰত সেও মানি আইন প্ৰত্যাহাৰৰ সিদ্ধান্ত লৈছে যদিও এই সিদ্ধান্ত আচলতে তেওঁলোৰ দলৰ স্বাৰ্থততহে গ্ৰহণ কৰিছে। কিয়নো অহা ফেব্ৰুৱাৰী মাহত উত্তৰ প্ৰদেশত অনুষ্ঠিত হ'বলগীয়া বিধানসভা নিৰ্বাচনৰ পূৰ্বে বিজেপিৰ অৱস্থা যে কাহিল হৈ পৰিছে, সেই কথা বিজেপি নেতৃত্বই উপলব্ধি কৰিছে। সেয়ে দলৰ নিৰ্বাচনী স্বাৰ্থ আগত ৰাখি তেওঁলোকে উক্ত সিদ্ধান্ত লৈছে। "আনহাতে কৃষক আন্দোলনৰ ফলাফল অসমৰ 'কা'-বিৰোধী সংগ্ৰামৰ বাবে এক অনুপ্ৰেৰণা বুলি উল্লেখ কৰি গগৈ আৰু ভূঞাই কয় যে অসমত 'কা' প্ৰয়োগৰ বিষয়টো গণসংগ্ৰামৰ ভয়ত চৰকাৰে ওলোমাই থৈছে যদিও যিকোনো মূহুৰ্তত আইনখন প্ৰয়োগ কৰিব পাৰে। সেয়ে আইনখন যাতে প্ৰত্যাহাৰ কৰে তাৰ দাবীৰে ৰাইজ পুনৰ ৰাজপথলৈ ওলাই অহাৰ প্ৰয়োজনীয়তা আছে। গগৈ আৰু ভূঞাই লগতে কৃষি আইনৰ দৰে নাগৰিকত্ব (সংশোধনী) আইন চমুকৈ 'কা' বাতিল কৰিবলৈয়ো চৰকাৰক দাবী জনায়।

# সম্প্ৰতি অসমত সম্প্ৰীতিৰ সংগ্ৰাম

**ফখৰুদ্দিন আহমেদ**

সাম্প্ৰতিক সময়ত মাতৃভূমি অসমত ঐতিহাসিক সত্যবোৰ যেন বিকৃত হ'বলৈ গৈ আছে। কিন্তু এই ক্ষেত্ৰত ইতিহাসবিদ সকলৰ মন্তব্য মন কৰিবলগা।" ইতিহাস বিকৃতি কৰিব পাৰি কিন্তু সলনি কৰিব নোৱাৰি" এয়াই আছিল তেখেত সকলৰ চৰম সত্য মন্তব্য।

এটা জাতিৰ অতীত সেই জাতিৰ উত্তৰ প্ৰজন্মৰ বাবে যিদৰে ভৱিষ্যতৰ গৌৰৱোজ্বল দিনবোৰৰ বুনিয়াদ নিৰ্মানৰ পৰিকাঠামো স্বৰূপে নিৰ্নিত হ'ব পাৰে ঠিক সেইদৰে ধৰ্ম, জাতি, সম্প্ৰদায় আৰু ভাষিক দিশত বৈষম্য থাকিলেও জাতিৰ গঠন প্ৰক্ৰিয়াত শান্তি, সমন্বয় আৰু সম্প্ৰীতিয়ে অনন্য ৰূপত মূলধন হিচাপে কাম কৰে। এই দিশটো কাৰ্যকৰী হ'বলৈ হ'লে প্ৰথমতে বৈষম্যৰ মাজত ঐক্যৰ সাধন কৰি সমগ্ৰ জাতিটোয়ে বিশ্ব মানবৰ সমুখত সকলো ধৰনৰ পৰিস্থিতিত থিয় দি থাকিব পাৰিব লাগিব।

ওপৰোক্ত সমূহ বিষয়ৰ আলোচনা এগৰাকী অসমীয়া হিচাপে বিশ্লেষন সাম্প্ৰতিক সময়ত যদি কৰিবলৈ লোৱা হয় তেতিয়া বিশেষকৈ যুব প্ৰজন্মৰ মাজত শান্তি, সমন্বয় আৰু সম্প্ৰীতিৰ দিশটোত বহু ক্ষেত্ৰতেই নেতিবাচক দিশৰ পয়োভৰ দৃষ্টিগোচৰ হয়।

সম্প্ৰতি ভাৰত তথা অসমৰ ৰাজনীতিত ধৰ্মীয় উগ্ৰতা আৰু অসহনশীলতাৰ উপস্থিতি নিৰ্মম ভাবে সত্য। এনে এক পৰিবেশ সৃষ্টি কৰা হৈছে যেন ৰাজনীতিৰ ক্ষেত্ৰখনিত সাম্প্ৰতিক সময়ত ভাৰতবৰ্ষৰ সংবিধান প্ৰদত্ত ধৰ্ম নিৰপেক্ষতা, বাক স্বাধীনতা আৰু জীয়াই থকাৰ অধিকাৰ আদি বিষয়বোৰ সাধাৰন জনতাৰ জীৱনত অসাৰ প্ৰতিপন্ন হ'বলৈ গৈ আছে। এই দিশবোৰৰ উত্থান বিশেষভাবে কেন্দ্ৰত বি জে পি দলে ইং ২০১৪ চনত চৰকাৰ গঠন কৰা সময়ৰ পৰা আৰম্ভ হোৱা বুলি ক'লে নিশ্চয় অত্যুক্তি কৰা নহয়।

জাতিৰ পিতা মহাত্মা গান্ধীৰ হত্যাকাৰী নাথুৰাম গডছে আৰু হিন্দুত্ববাদী সংগঠন ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘৰ প্ৰতিষ্ঠাতা দীন দয়াল উপাধ্যায়ক ভাৰতবাসীৰ জন মানসত নব ৰূপত প্ৰতিষ্ঠিত কৰিবলৈ সকলো ধৰনৰ প্ৰচেষ্টা অব্যাহত ৰখা বি জে পি দলৰ মূল এজেণ্ডা যে হিন্দুত্ববাদ প্ৰতিষ্ঠা সেয়া জনতাৰ মাজত জল জল পট পটকৈ ওলাই পৰিছে সেয়া নিশ্চিত।

দেশ তথা ৰাজ্যৰ জনতাক মহামাৰী কভিড ১৯ ৰ সংক্ৰমন আৰু প্ৰতিৰক্ষাৰ বাবে চৰকাৰে গ্ৰহন কৰা ল'ক ডাউন কাৰ্যই আৰ্থিক ভাবে সাংঘাটিক ধৰনে জোকাৰি থৈ গৈছে। এনে পৰিপ্ৰেক্ষিতত চৰকাৰে বিশেষকৈ মধ্যবিত্ত শ্ৰেণীৰ জনতাক মাহিলী হিচাপত অৰ্থ সাহায্য দিব লাগিছিল। কিন্তু তাকে নকৰি ৰাজ্য তথা কেন্দ্ৰীয় চৰকাৰে কিছুমান আঁচনিৰ সৃষ্টি কৰি বিশেষ ভাবে গাঁও, আঞ্চলিক পঞ্চায়ত তথা জিলা পৰিষদ লগতে পৌৰ নিগম! নগৰ উন্নয়ন বিভাগৰ জৰিয়তে হিতাধিকাৰী নিৰ্বাচনৰ প্ৰক্ৰিয়াৰে সকাহৰ ব্যৱস্থা কৰিছে। এনে ধৰনৰ প্ৰক্ৰিয়াৰ বাবে এসময়ত কংগ্ৰেছ দুৰ্নীতিৰ বোকাত পোত গৈছিল যাৰ বাবে আমাৰ অসমৰ জনতাই সেই দলক দিছপুৰৰ বিদায় জনাইছিল।

চলিত সময়ত অসমত কিছুমান কাৰ্যকলাপে এটি বিশেষ জনগোষ্ঠীক ভীতিগ্ৰস্থ কৰি তোলাৰ লগতে দুই এক বিশেষ ব্যক্তিয়ে অসমৰ কৌটি-কলীয়া সাম্প্ৰদায়িক এনাজৰিডাল চিন্ন ভিন্ন কৰিবলৈ এটি বিশেষ ধৰ্মীয় লোকক নিৰবচ্ছিন্ন ভাবে যিমান পাৰি সিমান অসৌজন্যমূলক ভাষাৰে নিন্দা কৰি আছে।এক প্ৰকাৰ লেকামবিহীন ভাবে।

ইং ১৯৭৯ চনৰ পৰা ইং ১৯৮৫ চনলৈ অসমত হোৱা অসম আন্দোলনৰ ফলশ্ৰুতিত স্বাক্ষৰিত অসম চুক্তিৰ ৰূপায়নত ব্যৰ্থ হোৱা চৰকাৰী ব্যৱস্থাৰ বিৰূপ প্ৰভাৱে অসমৰ চৰ-চাপৰিত বসবাস কৰা মিঞা জনগোষ্ঠীৰ জীৱনলৈ এক ভয়াবহ সংকট সাম্প্ৰতিক সময়ৰ বি জে পি চৰকাৰৰ আমোলত হোৱা উচ্ছেদ অভিযানে কঢ়িয়াই আনিছে। চৰ-চাপৰিত হোৱা উচ্ছেদৰ অন্তৰালত থকা বিষয়টি হ'ল মিঞা জনগোষ্ঠীৰ মানুহবোৰ সন্দেহযুক্ত বা অবৈধ নাগৰিক। বিগত ৩৬ বছৰে সন্দেহযুক্ত বা অবৈধ নাগৰিক বুলি ঘোষিত হৈ থকা চৰ-চাপৰিবাসীৰ নাগৰিকত্ব সম্পৰ্কত উপযুক্ত চৰকাৰী পৰ্যবেক্ষন নোহোৱাটো সেই খাটিখোৱা মানুহবোৰৰ দোষ নেকি? মিঞা জনগোষ্ঠীৰ মাজত থকা মাটিৰ দালাল সকলক তদন্ত অনুযায়ী গ্ৰেপ্তাৰ কৰিলেহে সকলো

(আঠপৃষ্ঠাত চাওক)

# 'আপকু'ৰ প্ৰতিস্থাপক সম্পাদক ভৰেশ বৰুৱাৰ মৃত্যু

ৰঙিলী বাৰ্ত্তাসেৱা- অসমৰ মফচলীয় সাংবাদিকতাৰ বাটকটীয়া, আসাম প্ৰেছ কৰেছপণ্ডেণ্ট ইউনিয়ন চমুকৈ 'আপকু'ৰ প্ৰতিষ্ঠাপক সম্পাদক, ভৰেশ বৰুৱাৰ মাজনিশা পশ্চিম গুৱাহাটীৰ আজাৰাৰ ডেকাপাৰাস্থিত কনিষ্ঠ পুত্ৰৰ বাসভৱনত বাৰ্ধক্যজনিত কাৰণত মৃত্যু হয় । মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৮৫ বছৰ । আজীৱন দুখীয়া-নিচলাৰ হ'কে কাম কৰি অহা সমাজহিতৈষী, লেখক তথা জ্যেষ্ঠ সাংবাদিক গৰাকীৰ মৃত্যুত আজাৰা অঞ্চলতে নহয় ৰাজ্যৰ মফছলীয় সাংবাদিকৰ জগতখনতো শোকৰ ছাঁ পৰে। আজাৰাৰ সন্তান, জ্ঞানৰ ভঁৰাল ভৰেশ বৰুৱাৰ সকলো বিষয়তে প্ৰচুৰজ্ঞান আছিল। সাংবাদিক হিচাপে তেওঁ পলাশবাৰীৰ পৰা অধুনালুপ্ত "পযেকীয়া স্বাধীনতা।" নামৰ পযেকীয়া বাতৰি কাকত এখন উলিয়াই নিজেই সম্পাদকৰ দায়িত্বত আছিল। ইয়াৰ পিছতে"নতুন দৈনিক" নামৰ কাকতখনত আজাৰাৰ পৰা সাংবাদিকতা আৰম্ভ কৰে। নতুন দৈনিক কাকতখন বন্ধ হোৱাৰ পিছত "দৈনিক অগ্ৰদূত" কাকতত আজাৰাৰ পৰা সাংবাদিকতা আৰম্ভ কৰে।অসমৰ মফছলীয় সাংবাদিক সকলক একত্ৰিত কৰি গঠন হোৱা"সদৌ অসম সাংবাদিক সন্থা"ৰ প্ৰতিষ্ঠা কালৰ সময়ত ভৰেশ বৰুৱাৰ অৱদান যথেষ্ঠ আছিল। পৰৱৰ্তী সময়ত তেওঁৰ নেতৃত্বত "আছাম প্ৰেছ কৰেছপণ্ডেণ্টছ ইউনিয়ন" গঠন কৰা হয়। উক্ত ইউনিয়ন গঠন কৰাৰ পিচৰে পৰা তেওঁ ৰাজ্যৰ মফছলীয় সাংবাদিক সকলৰ দা-দৰমহাৰ বাবে বিভিন্ন দাবী জনায়। জীৱনৰ অন্তিম সময়ছোৱালৈ তেওঁ মফছলীয় সাংবাদিক সকলৰ বিভিন্ন সমস্যাৰ বিষয়ে চৰকাৰৰ ওচৰত আবেদন-নিবেদন জনায়। আনকি মফছলীয় সাংবাদিক সকলৰ দৰমহা ঘোষণা নকৰালৈকে সাংবাদিক পেঞ্চন গ্ৰহণ নকৰাৰো সিদ্ধান্ত ঘোষণা কৰে। জেষ্ঠ সাংবাদিক ভৰেশ বৰুৱা এগৰাকী হোমিও চিকিৎসক হিচাপেও প্ৰতিষ্ঠা লাভ কৰিছিল। তেওঁৰ মৃত্যুৰ বাতৰি প্ৰচাৰ হোৱাৰ লগে লগে অসংখ্য গুণমুগ্ধ তেওঁৰ বাসভৱনত উপস্থিত হৈ শেষ শ্ৰদ্ধা নিবেদন কৰে। মৃত্যুৰ সময়ত তেওঁ দুই পুত্ৰ আৰু তিনি কন্যা সহ অসংখ্য গুণমুগ্ধক এৰি থৈ যায়। দুপৰীয়া অগণন লোকৰ উপস্থিতিত আজাৰা ৰাজহুৱা শ্মশানত তেওঁৰ শেষকৃত্য সম্পন্ন কৰা হয়।

# অসম সাহিত্য সভা উত্তৰ আমেৰিকা শাখাৰ "কবিতাৰ দলং" কবি সন্মিলন সম্পন্ন

ফখৰুদ্দিন আহমেদ, ৰঙিলী বাৰ্ত্তাসেৱা - শনিবাৰে ভাৰতীয় সময় সন্ধিয়া, অসম সাহিত্য সভা উত্তৰ আমেৰিকা শাখাৰ উদ্যোগত, বৰ্তমানৰ সভানেত্ৰী, চৈয়দা জেবীনঞ্জ চাবীৰা শ্বাহৰ নেতৃত্ব আৰু সঞ্চালনাত 'কবিতাৰ দলং' শব্দ তুৰুস-ঈঞ্চৰ্দ্ধন্তু ট্ৰুজনস্তুৰ্দ্ধঞ্জঙ্গ বুলি এখন ভাৰচুৱেল কবি সন্মিলন প্ৰথমবাৰৰ বাবে অনুষ্ঠিত হয়। এইবছৰ উত্তৰ আমেৰিকাৰ অসমীয়া সমাজত মৃত্যুবৰণ কৰা জেষ্ঠঞ্জয় নাগৰিকসকলৰ বাবে, ভাৰত ৰত্ন ডঃ ভূপেন হাজৰিকা দেৱৰ দশম মৃত্যু বাৰ্ষিকী বাবে, আৰু কোভিড মহামাৰীত মৃত্যু হোৱা বিশ্বৰ লাখ-লাখ লোকৰ চিৰশান্তিৰ বাবে প্ৰাৰ্থনা কৰি চৈয়দা জেবীনঞ্জ চাবীৰা শ্বাহে কবিতা আৰু আন সুকঞ্জুম্ব কলাৰ মানৱ জীৱনত প্ৰয়োজনীয়তাৰ বিষয়ে কৈ সন্মানিত অতিথি অসম সাহিত্য সভাৰ সভাপতি ডঃ কুলধৰ শইকীয়া দেৱক তেখেতৰ বক্তব্যৰে অনুষ্ঠানটি মুকলি কৰিবলৈ অনুৰোধ জনায়। ডঃ শইকীয়াই অসমৰ বিভিন্ন ভাষিক গোষ্ঠীৰ মাজত এনেদৰে কবিতাৰ দলং অনুষ্ঠিত কৰা বাবে গভীৰ সন্তোষ প্ৰকাশ কৰি, অসমীয়া ভাষাক আকৌ কেনেকৈ সংযোগী ভাষা কৰি গঢ়ি তোলাৰ প্ৰয়োজনীয়তা আছে, আৰু অসমীয়া ভাষাৰ অভিধান অসমৰ বিভিন্ন জনজাতীয় ভাষাৰ শব্দ সংযোজন কৰি আৰু সমৃদ্ধিশালী কৰিবলৈ সভাৰ পৰিকল্পনা আছে বুলি উপস্থিত ৰাইজক জনায়, আৰু আগতে হৈ যোৱা আৰু বিশ্বৰ বিভিন্ন ঠাইৰ অসমমূলৰ লোকসকলৰ সৈতে হ'বলগীয়া এখন ৱেবিনাৰ কৰাৰ পৰিকল্পনা উত্তৰ আমেৰিকাৰ সাহিত্য সভা আৰু অসম এছ'ছিয়েশ্বনৰ লগত কৰি আছে বুলি কৈ 'কবিতাৰ দলং' অনুষ্ঠানটি মুকলি কৰে। সভানেত্ৰী চৈয়দা জেবীনঞ্জ চাবীৰা শ্বাহে নগৰাকী কবিক পৰিচয় কৰাই দি কবিতাৰ দলঙত খোজ দিবলৈ অনুৰোধ জনায়। নলবাৰীৰ পৰাঞ্জ ীমতী দীপালিমা দত্তই তেওঁৰ কাব্যগ্ৰন্থ, 'শ্যামলী অনুৰাগৰ আদিধ্বনি'ৰ পৰা কেইটিমান চুটি আৰু 'চিয়াঁহী বুলি এটি দীঘল কবিতা পাঠ কৰে। গোৱালপাৰাৰ পৰা কবি কালিদাস ৰাভা হাতোদেৰে অসমীয়া অনুবাদৰ সৈতে, তিব্বতীয়-মঙ্গোলীয় ৰাভা গোষ্ঠীৰ লোকসকলঞ্জ কেনেকৈ চাৰিটা ভাগত ভাগহৈ নেপাল, ভুটান আৰু অসমলৈ আহে, এটি ৰাভা ভাষাৰ কবিতাৰ মাজেৰে প্ৰকাশ কৰে।ঞ্জ কবি, কাৰ্টুনিষ্ট, চিত্ৰশিল্পী মুবীন ৰাভাই ইংৰাজী অনুবাদৰ সৈতে 'নিৰ্মাণ' বুলি এটি কবিতা পাঠ কৰে। কেনেকৈ আজিৰ দিনত বিভিন্ন ধৰণৰ নিৰ্মাণৰ বাবে পৰস্পৰৰ মাজত দূৰত্ব হ্ৰাস পাইছে কবিতাৰে দাঙি ধৰে। যোৰহাটৰ কবি, শব্দ প্ৰকাশন ছপা প্ৰতিষ্ঠানৰ স্বত্ত্বাধিকাৰী আৰু জৈৱিক কৃষিজীৱি উজ্জ্বল পাওগামে প্ৰথমে মিছিং ভাষাত 'ঐনিতম'

(পাঁচপৃষ্ঠাত চাওক)

# বয়ঃসন্ধি- আবেগ - অনুভূতি আৰু চিন্তাবোধত শিক্ষক শিক্ষয়িত্ৰীৰ ভূমিকা

**বন্দিতা শৰ্মা কন্দলি**



মানৱ জীৱন বৃত্তত বয়ঃসন্ধি হৈছে আবেগ- অনুভূতি বন্যাৰ সময়। শৈশৱৰ ৰং-ধেমালি, ৰজা-ৰাণী, দৰা-কইনা, দিপ্ লিপঅ পৰীৰ সৈতে কল্পনাৰ ৰাজ্যত উটি-ভাহি ফুৰা নিষ্পাপ, নিৰ্মল জীৱন শৈলীৰ বিষাদময় সমাপ্তিৰ পৰা গতি কৰি এই সময়তে কৈশোৰৰ অন্য এক ৰহস্যময় জগতত প্ৰৱেশ কৰে। শাৰীৰিক মানসিক পৰিৱৰ্তনে কৰা আমনিদায়ক আৰু ৰোমাঞ্চকৰ অনুভূতিয়ে তেওঁলোকৰ মনত জগাই তোলে সন্দেহ, নিসংগতা আৰু নিৰাপত্তাহীনতাৰ ভাব। এই আটাইবোৰেই স্বাভাৱিক। কিয়নো তেওঁলোক নহয় শিশু নহয় পূৰ্ণ যৌৱন প্ৰাপ্ত ব্যক্তি। এনে দোদুল্যমান অৱস্থাতেই পঞ্চেন্দ্ৰিয়ই আৱিষ্কাৰ কৰে বহিৰ্জগৎ। আৱেগ-অনুভূতি আৰু চিন্তাবোধে নিজকে আৱিষ্কাৰ কৰাৰ সুযোগ দিয়াৰ লগতে সজাগ কৰি তোলে। জীৱন বৃত্তৰ এনে সন্ধিক্ষণত আবেগ - অনুভূতি আৰু চিন্তাবোধক কেনেদৰে ধনাত্মক ৰূপত ব্যৱহাৰ বা ভাবাবেগ নিয়ন্ত্ৰিত ভাৱে সৃষ্টিশীল কামত প্ৰয়োগ কৰিব পাৰি তাৰ বাবে উপযুক্ত পৰিৱেশত আৰু সাৱধানতাৰ প্ৰয়োজন। এই ক্ষেত্ৰত মূখ্য ভূমিকা পালন কৰিব লাগিব পিতৃ-মাতৃৰ লগতে শিক্ষক শিক্ষয়িত্ৰী সকলে। কিয়নো কিছু কিছু ক্ষেত্ৰত সন্তানে পিতৃ-মাতৃতকৈয়ো শিক্ষক - শিক্ষয়িত্ৰীৰ কথাত বিশেষ প্ৰাধান্য দিয়া দেখা যায়। বিশেষজ্ঞ সকলৰ মতে বয়ঃসন্ধিৰ ঠিক পূৰ্বে মগজুৰ চিন্তা শক্তিৰ আধাৰৰ (যাক গ্ৰে মেটাৰ বুলি কোৱা হয়) দ্ৰুত গতিত বৃদ্ধি হ'বলৈ ধৰে। গ্ৰে মেটাৰৰ ঘনত্ব ল'ৰাৰ ক্ষেত্ৰত ১২ বছৰ বয়সত আৰু ছোৱালীৰ ক্ষেত্ৰত ১১ বছৰ বয়সত সৰ্বাধিক হৈ পৰে। বয়ঃসন্ধিৰ সময় ছোৱাত মগজুৰ চিন্তা শক্তিৰ আধাৰ বিভিন্ন দিশত সালসলনি হ'বলৈ ধৰে। এই সময় ছোৱাত সন্তানে পৰিয়ালৰ সৈতে সময় কটোৱাৰ পৰিবৰ্তে একে লিঙ্গৰ সমনীয়াৰ সৈতে সময় কটাবলৈ আগ্ৰহী হয় আৰু ৰুচিবোধ অনুসৰি বন্ধুত্ব গঢ়ি তোলে। ক্ৰমান্বয়ে ১৪-১৮ বছৰত বন্ধু সম্প্ৰসাৰিত হয় আৰু বিপৰীত লিংগৰ সৈতে ও বন্ধুত্ব গঢ়ি তুলিবলৈ বিচাৰে। এই সময়ছোৱাত হৰমনৰ বৰ্ধিত উৎপাদনৰ ফলত যৌন চেতনা জাগ্ৰত হয়। লাজ, ভয়, শংকা আৰু অজ্ঞতাই তেওঁলোকৰ মনত যৌনতা সম্পৰ্কে কৌতুহল জাগে। ই যে এক স্বাভাৱিক প্ৰক্ৰিয়া সেই কথা জনাৰ সুযোগ নোপোৱাৰ বাবেই কেতিয়াবা মন অস্থিৰ হোৱা চকুত পৰে। এনে ক্ষেত্ৰত শিক্ষকে শুদ্ধ, সঠিক আৰু বিজ্ঞান ভিত্তিক ভাৱে শাৰীৰিক পৰিবৰ্তন সম্পৰ্কে আৰু যৌন- জীৱন আৰু জন্ম ৰহস্যৰ জ্ঞান দিব লাগে। এই বিষয় সমূহ নিঃসংকোচে মুকলিকৈ সহজ সৰল ভাষাত ছাত্ৰ-ছাত্ৰীক জ্ঞান প্ৰদান কৰিব লাগে। ছাত্ৰ- ছাত্ৰীক বিভিন্ন সহপাঠ্যক্ৰমিক কাৰ্যাৱলীত অংশ গ্ৰহণ কৰিবৰ বাবে উৎসাহ-উদ্দীপনা দিয়াৰ লগতে উপযুক্ত সাহায্য আগবঢ়াব লাগে। বয়ঃসন্ধিৰ সময়ত নিজস্ব আবেগ-অনুভূতিৰ আধাৰত এক আত্মসজাগতা জাগিবলৈ ধৰে। স্বকীয় আবেগ- অনুভূতি ফুটাই ক'বলৈ কুণ্ঠাবোধ নকৰে।যুক্তিৰ উদয় আৰু চিন্তাবোধৰ নতুন পাৰদৰ্শিতাৰ আধাৰত পিতৃ-মাতৃক প্ৰত্যাহ্বান জনাই নতুন চিন্তাধাৰাৰে প্ৰবৃত্ত হ'ব বিচাৰে। এই খিনিতে

(আঠপৃষ্ঠাত চাওক)

# পৰিৱৰ্তনশীল চৰকাৰৰ পৰা অন্য এক পৰিৱৰ্তন বিচাৰো

**পিংকু ডেকা,**
**ওদালগুৰি ভেৰগাঁও**




মাননীয় মুখ্য মন্ত্ৰী মহোদয়, আপোনাৰ ওচৰত প্ৰত্যক্ষ ভাৱে গৈ আমাৰ একাংশ নিবনুৱাৰ সমস্যা তথা অভাৱ অভিযোগৰ বিষয়ে কিছু কথা কবলগীয়া আছিল। কিন্তু আমি বহু চেষ্টা কৰিও আপোনাৰ সন্মুখত গৈ প্ৰত্যক্ষ ভাৱে আমাৰ সেই মনৰ কথাখিনি কবলৈ সক্ষম নহলো। সেই গতিকে গণতন্ত্ৰৰ এই চতুৰ্থ স্তম্ভৰ যোগেদি আমাৰ কথাখিনি আপোনাৰ ওচৰলৈ লৈ যাব বিচাৰিছোঁ। বৰ্তমানৰ মুখ্য মন্ত্ৰী মহোদয়ক আমি ইতিমধ্যে পৰিৱৰ্তনশীল মনৰ উচ্চ বৌদ্ধিক সম্পন্ন এজন ব্যক্তি ৰূপে গণ্য কৰি আহিছো । কিয়নো তেখেতৰ মন্ত্ৰীত্বৰ কালতে অসমত প্ৰথম বাৰৰ বাবে শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত অসমত TET পৰীক্ষা অনুষ্ঠিত কৰি শিক্ষক নিযুক্তিৰ ব্যৱস্থা গ্ৰহণ কৰিলে। আকৌ তেখেতৰ কায্যকালতেই প্ৰথম বাৰৰ বাবে অসমৰ হাইস্কুল সমূহত কম্পিউটাৰ প্ৰদান কৰি কম্পিউটাৰ শিক্ষাৰ ব্যৱস্থা প্ৰদান কৰিলে। এয়া মাত্ৰ সাধাৰণ ভাবে আমাৰ চকুত ধৰা দিয়া একো একোটা ৰাজ্যৰ উন্নতিৰ খাতিৰত প্ৰয়োজনীয় পৰিবৰ্তন। যাৰ জৰিয়তে বৰ্তমান মুখ্যমন্ত্ৰী মহোদয়ৰ পৰিৱৰ্তনশীল গতিৰ একো একোটা ভাবধাৰাৰ উমান পোৱা যায়। যেতিয়া বৰ্তমানৰ মুখ্যমন্ত্ৰীৰ হাতত তাহানিতে শিক্ষা বিভাগটো আছিল তেতিয়া ৰাজ্যৰ শিক্ষা খণ্ডত এক আমূল পৰিবৰ্তন আনিবলৈ সক্ষম হৈছিল। আকৌ বৰ্তমান সময়ত মুখ্য মন্ত্ৰী মহোদয়ৰ হাতত ৰাজ্যৰ গৃহ বিভাগৰ সম্পূৰ্ণ দায়িত্ব ন্যস্ত আছে। এই গৃহ বিভাগৰেই অসম পুলিচত এতিয়া কিন্তু কিছু কিছু পৰিবৰ্তনৰ হয়তো অতিকে প্ৰয়োজন। যত নেকি অসম পুলিচত তাহানিতে প্ৰয়োগ কৰি থোৱা কিছু ৰীতি -নীতিৰ ওপৰত ভিত্তি কৰিয়েই আজিও এই বিভাগটো চলি আছে। এই পুৰণা ৰীতি নীতি সমূহৰ বাবেই হয়তো আমাৰ নিচিনা হাজাৰ হাজাৰ নিবনুৱাৰ বুকুৰ বেদনা বুকুত লৈ জীয়াই জীয়াই জ্বলাই মাৰিছে। যাৰ বাবেই বহু সময়ত ৰাজ্যৰ বহু ডেকা যুৱক যুৱতীয়ে সন্ত্ৰাসবাদীৰ দৰে গোটত যোগদান কৰা বাতৰিয়েও সংবাদ মাধ্যমৰ শিৰোনমা দখল কৰিবলৈ সক্ষম হৈছে। মুখ্যমন্ত্ৰী মহোদয়ক আমি চকুত পেলাই দিব বিচাৰিছো যে অসম আৰক্ষীৰ এছ আই পদৰ নিযুক্তিৰ ক্ষেত্ৰত চলি থকা নিম্ন পয্যায়ৰ সেই বয়সৰ সময় সীমাটোৰ বিষয়ে। যিটো সময়ত দেশৰ বিভিন্ন ৰাজ্যত সেই এছ আই পদৰ আবেদনৰ বাবে সাধাৰণ শ্ৰেণীৰ বয়সৰ অন্তিম সময় সীমা প্ৰায় ৩০ বছৰ সেই একেই সময়তে অকল অসমৰ ক্ষেত্ৰতহে এই এছ

(আঠপৃষ্ঠাত চাওক)

# উপলব্ধি

**শ্ৰী ৰূপ ৰেখা ঠাকুৰ**
**দেৰগাঁও**



ৰসেশ্বৰ মাষ্টৰৰ ছোৱালী ভানুমতি পঢ়াই শুনাই দেখাই শুনাই সকলোৰে চকুত লগা এজনী সহজ সৰল অমায়িক ছোৱালী। তাই মাক নাইকিয়া ঘৰখনত তিনিজনী ভনীয়েক আৰু ভায়েকক মাকৰ মৰম দি ডাঙৰ দীঘল কৰিছে। নিজৰ পঢ়াৰ লগতে তাই ভাই ভনীয়েকৰ পঢ়া-শুনা ৰ যত্ন লয়। তাই বিএ ফাইনেল দিয়া বছৰতেই দেউতাকেও এই সংসাৰৰ মায়ামোহ এৰি সিহঁতৰ মাজৰ পৰা আতঁৰি গল। ঘৰখন ৰ দায়িত্ব ভানুমতি ৰ ওপৰতেই পৰে।তাই এম এই পঢ়াৰ চিন্তা বাদদি ঘৰখনৰ কথা ভাবি দেউতাকৰ চাকৰিটো পালত দেউতাকৰ স্কুলতেই সোমাই। স্কুলৰ সকলো ছাত্ৰ ছাত্ৰী য়ে ভানুমতী ক বৰ ভাল পায়। স্কুলৰে মাক দেউতাক নথকা ৰামলালকো তাই নিজৰ ঘৰতেই ৰাখি পঢ়া-শুনা ৰ দায়িত্ব লয়। যথাসময়ত তিনিওজনী ভনীয়েকক সুপাত্ৰত গতাই দিয়ে। ভায়েককো অতি কষ্টৰে মেডিকেল পঢ়োৱাই। উচ্চ শিক্ষাৰ বাবে আমেৰিকালৈ যোৱা ভায়েকৰো বায়েকৰ খবৰ এটা ল'বলৈ সময় নাই। বয়সহৈ অহাৰ লগে-লগে ভানুমতী কো বিভিন্ন বেমাৰে লগ নেৰা হ'ল। ভনীয়েক কেইগৰাকীৰো ঘৰৰ অসুবিধা দেখুৱাই বায়েকৰ খাখবৰ ল'বলৈ সময় নাই।ৰামলালেই এতিয়া একমাত্ৰ সাৰথি। ভানুমতী য়ে এতিয়া উপলব্ধি কৰিছে ৰামলালৰ লগত তেজৰ একো সম্পৰ্ক নাথাকিলেও বৃদ্ধ অৱস্থাত ৰামলালেহে চোৱা-চিতা কৰিছে। নিজৰ তেজ মঙহৰ সম্পৰ্কৰ ভাই-ভনীৰ অসহায় অৱস্থাত বায়েকক মাত এষাৰ দিবলৈও সময় নাই। ভানুমতী য়ে উপলব্ধি কৰিছে সম্পৰ্ক এটা গঢ় ল'বলৈ তেজৰ সম্পৰ্কৰ প্ৰয়োজন নাই মনৰ সম্পৰ্ক হে আচল ৰামলালেই জয়ন্ত উদাহৰণ।

# স্বচ্ছতাৰ নিদৰ্শন (অনুগল্প)

**ইৰা বৰুৱা**
**যোৰহাট-১**




ৰাতি লীনাই ৰন্ধাবঢ়া শেষ কৰি ককালৰ খোচনিৰ পৰা হাত মোচাখন উলিয়াই হাত মোহাৰি মোহাৰি শোৱনি কোঠা পালেগৈ। সৌৰভে বিচনাতে বহি লেপটপটো লৈ অফিচৰ কিছু কাম কৰি আছিল। লীনাই ড্ৰেচিং টেবুলৰ তুলখন টানি আনি তাতে বহি লৈ কথাটো উলিয়ালে। হে'ৰা মই কথা এটা ভাবিছো শুনাচোন। সৌৰভে লেপটপৰ পৰা মুৰ নদঙাকৈ সহাঁৰি দিলে শুনিম কোৱা। আমাৰ দুয়োজনী ছোৱালী ডাঙৰ হ'ল। তুমি সিহঁতক অকনো সময় দিব নোৱাৰা। মইও কামত ব্যস্ত। সিহঁতে ঘৰখনতে সোমাই সোমাই আৰু কিমান টি-ভি,মোবাইল চাই সময় পাৰ কৰিব, অনবৰতে পঢ়াতেইটো ব্যস্ত হৈ নাথাকে। সংগী হিচাবে যিদৰেহে মোবাইলটো লৈ যিদৰেহে ব্যস্ত হৈ থাকে মোৰ ভয়ে লাগে কিবা চায়, আজিকালি যিহে দেশখনত নঘটিব লগীয়া ঘটনা বোৰ হৈ থাকে। কথাৰ পাতনি নেমেলি আচল কথাটো কোৱা। অ' অ' তাকেই কওঁ।

তুমি দুদিন অফিচ ছুটি লোৱা। অ: অসম্ভৱৰ মই এতিয়া এক ঘন্টাও ছুটি ল'ব নোৱাৰো। মোৰ ওপৰতে অফিচৰ সম্পূৰ্ণ দায়িত্ব। তেন্তে শুনা কালি দেওবাৰ সেইটোতো তোমাৰ কিবা আপত্তি আছে নেকি? নাই কোৱা কাইলৈ আমি দিনটোৰ বাবে ফুৰিবলৈ যাম। তোমাৰ নতুন গাড়ীখনত ভালদৰে উঠাই নাই নহয়, কৰবাত গলেও অফিচৰ সেই আউটডেটেড গাড়ীখনহে লৈ যোৱা। হব, হব ওলাবা ক'ত যাবা জেগাটুকুৱা আজিয়েই ঠিক কৰা। লীনা হাঁহি মাৰি আঁতৰি গৈ ছোৱালী দুজনীক কথাটো ক'লেগৈ।

সৌৰভ কলিতা মাল্টিনেচনেল কোম্পানী এটাৰ ওপৰৰ অফিচাৰ। দায়িত্বও বহুত বেছি। যোৰহাটত মাটি-বাৰী কিনি কেইবা মহলীয়া এটা সুন্দৰ ঘৰ সাজিলে। চালে চকু ৰোৱা ঘৰৰ আচবাব, ঘৰৰ বাহিৰে ভিতৰে লেতেৰা ধুলি কণা এটা সোমাবলৈও সাহস কৰিব নোৱাৰে। গেটৰ পৰা ঘৰৰ অন্দৰ মহললৈকে এক অভিজাত্যৰ প্ৰলেপ। ছোৱালী দুজনীকো তেনেকৈ ডাঙৰ কৰিছে। সিহঁতক তেওঁ শিকাইছে নিজৰ ঘৰ, ঘৰৰ পৰিবেশ কিদৰে চাক চিকুন কৰি ৰাখিব লাগে। সিহঁতো সেই শিক্ষাৰে ডাঙৰ হৈছে।

পিছদিনা পুৱা সৌৰভ কলিতা সোনকালে উঠি প্ৰথমে নিজৰ আভিজাত্যৰ প্ৰতীক এল চিচিয়ান কুকুৰটো শিকলি ডালত ধৰি ঘৰৰ পাঁচগজমান আঁতৰৰ শইকীয়াৰ ঘৰৰ প্ৰদুলিত নি প্ৰাতঃকৰ্মকণ কৰালে। তাৰ পৰা আহি লীনাই ৰাতিয়েই গোটাই থোৱা চুৱা জাৰৰৰ টোপোলাটো দুৰৈৰ ডাষ্টবিনলৈ নগৈ কাষতে বৰুৱাই ঘৰ সাজিবলৈ কিনি থোৱা খালি মাটিকণত সাউৎকৈ পেলাই ঘৰ সোমালেহি। ফুৰিবলৈ যাবলৈ সকলো ওলাল। শিৱসাগৰলৈ যাব। দিনটোত শিৱসাগৰত চাবলগীয়া খিনি চাই চাই টিয়কত লীনাৰ বায়েকৰ ঘৰত সোমাই ৰাতিৰ খানা তাতে খাই ঘৰলৈ ঘূৰিব। পুৱা ঘৰৰ পৰা ওলাওতেই বাটত খাবৰ বাবে চিপচ, চকলেট, বিস্কুট, কল আদি বেগত ভৰাই ল'লে। লীনাই সৌৰভৰ বাবে জৰ্দা, মুখ.... বিলাচ মিলাই তামোল দুখনমানো বান্ধি ল'লৈ নহ'লে সৌৰভে গাড়ী চলাব নোৱাৰে। যাত্ৰা আৰম্ভ হ'ল। কিছুদুৰ গৈয়ে বাইপাছ পাই ইটো সিটো খোৱা আৰম্ভ কৰিলে। সৌৰভে ক'লে তোমালোকে কিন্তু গাড়ীৰ ভিতৰত খোৱা বস্তু পেলাই গাড়ীখন লেটেৰা নকৰিবা। যি পেলোৱা, গাড়ীৰ গ্লাচখন খুলি বাহিৰলৈ পেলাবা। লীনা আৰু ছোৱালী দুজনীয়ে তাকেই কৰিলে।গোটেই ৰাস্তাটোত চিপচৰ পেকেট, চকলেটৰ পেকেট, কল বাকলি পেলাই গ'ল। বাঃ কেনে শিক্ষা।

এতিয়া শুনক লীনাই মৰমত লৈ যোৱা তামোলৰ টোপোলাটোৰো সৌৰভে সৎ ব্যৱহাৰ কৰিলে। যিমান বাৰ পাক্ লগাই তামোল খালেসিমান বাৰ গাড়ীৰ দৰ্জা খুলি ৰাষ্টাই ৰাষ্টাই পিক পেলাই গোটেই ৰাষ্টা গাঢ় ৰঙা ৰঙেৰে বোলাই গ'ল। যেন কোনোবা বিখ্যাত চিত্ৰকৰে সুন্দৰ পকী ৰাষ্টাৰ মাজে মাজে ৰং বোলাই প্ৰকৃতিক সজাই তুলিছে।কেনে আৰ্দশবান পৰিয়াল এবাৰ ভাহকচোন। ৰাইজৰ ৰাষ্টা তাকো চৰকাৰী টকাৰে বনাইছে তাতে, কাৰ কি আহে যায়। আমি কৰলৈ কোন নহয়নে বাৰু ?

# এটি সত্য ঘটনা

**অঞ্জুমণি শইকীয়া**
**যোৰহাট**

**(এসপ্তাহৰ আগতে আমাৰ পুত্ৰ মিৰ্জাৰ মানুহ এঘৰলৈ ফুৰিবলৈ যাওঁতে গৃহস্থই তেওঁৰ জীৱনৰ কাহিনী এটা কৈছিল । কাহিনীটো তেওঁ কৈ থকাৰ দৰেই লিখিবলৈ চেষ্টা কৰিলো । )**

মোৰ মামাৰ ঘৰ বশিষ্ঠত। সৰুৰে পৰা মই মামাৰ ঘৰলৈ অকলৈ যাওঁ। বিশেষকৈ, বাৰীৰ পাচলি, ফল-মূল, পুখুৰীৰ মাছ আদি দিবলৈ গৈ থাকোঁ। সেই সময়ত ম'বাইল নাছিল। এল পি স্কুলত পঢ়ি আছিলো। মামাৰ ঘৰলৈ যাওঁতে বশিষ্ঠলৈ বুলি লিখি থোৱা বাছখনত উঠো আৰু ৰাতিটো থাকি পিছদিনা গুচি আহোঁ। কেতিয়াবা কেইবাদিনো থাকোঁ।

এদিন পুখুৰীত ধৰা মাছ দিবলৈ গৈ আবেলি শেষৰ বাছখনত উঠিলো । উঠিবৰ সময়ত লৰালৰিকৈ 'ব' আখৰটোহে পঢ়িবলৈ পালো। বহু সময়ৰ পিছত বাছ ৰাখিল। এজন এজন কৈ সকলো যাত্ৰী নামি গ'ল । মই খিৰিকীৰে বাহিৰলৈ চালো, ঠাইখন দেখানে অচিনাকি লাগিছে ।আন্ধাৰো হ'ল। হেণ্ডিমেনটোৰে ক'লে,

" ভাইটি, নামা আকৌ।"

মই বাছৰ পৰা নামি সুধিলো, "ক'ত ৰখালে।"

" তুমি ক'ত যাবা?"

" বশিষ্ঠ।"

" খালা আৰু । আমি শ্বিলং পালোহি।" এই বুলি কৈ হেণ্ডিমেনটো গুচি গ'ল । মোৰ লাগিল ভয় ।কি কৰিম ? অচিনাকি ঠাই ।ইফালে ৰাতি হ'ল। সী আনা মাছে মোৰ হাতত জপিয়াই আছে । সেই সময়ত এজন মামাই শ্বিলঙৰ কোম্পানী এটাত কাম কৰে। কিন্তু ক'ত থাকে নাজানো ।ইফালে - সিফালে চাই থাকোঁতে ইউনিফৰ্ম পিন্ধি চাইকেলৰ সৈতে মামাক অহা দেখি আঁতৰৰ পৰাই হাত দাঙিলো। ওচৰ পোৱাত চাইকেলখন ৰখাই দিলত দেখিলো মামা নহয় । মানুহজনে হিন্দীতে সুধিলে, " কি হ'ল ? " মই কওঁ অসমীয়া, মানুহজনে কয় হিন্দী । তেওঁ ক'লে মই বুজি নাপাওঁ, মই ক'লে তেওঁ বুজি নাপায় ।বহুত সময় আকাৰে ইঙ্গিতে বুজাবুজি কৰি থকাৰ পিছত তেওঁ মোক চাইকেলখনত বহাই ল'লে । পঁয়ত্ৰিশ কিলোমিটাৰ আঁতৰত থকা মামাৰ ঘৰ পোৱাৰ পিছত দৰ্জাত ঢকিয়ালো ।মামা দৰ্জা খুলি মোক দেখি অবাক হ'ল । সকলো কথা কোৱাৰ পিছত মামাক ক'লো, " এই মানুহজনক পাঁচশ টকা ভাড়া দিয়া।" মামাই মানুহজনক ক'লে, আপুনি ইমান ৰাতি যাবগৈ নালাগে ।আজি ইয়াতে থাকক।" মানুহজনে ক'লে, "বেয়া নাপাব । মই থাকিব নোৱাৰিম।"

" আপুনি ল'ৰাটোক সহায় কৰি ডাঙৰ উপকাৰ কৰিলে । এই টকাখিনি লওক।"

" মোক একো নালাগে । ভগৱানক ধন্যবাদ দিয়ক মই যে ল'ৰাটোক আপোনাৰ ওচৰলৈ নিৰাপদে আনিব পাৰিলো।" একো নোলোৱাকৈ চাইকেলখনৰ সৈতে মানুহজন আন্ধাৰৰ লগত মিলি গ'ল ।

কেইবাটাও বছৰ বাগৰিল । ব'লে ব'মৰ শেষৰদিনা গান বাজনাৰ অনুষ্ঠান চলি থাকোঁতে হোটেল এখনত খাবলৈ সোমালো ।মই বহা চকীখনৰ কাষতে গৰাকী নোহোৱা টকাৰ বেগ এটা পালোঁ । বাহিৰলৈ ওলাই আহি টকাখিনি গণি চালো দুই লাখ সত্তৰ হাজাৰ । কি কৰিম ? কাক ক'ম ? ক'লৈই বহুতেই " মোৰ মোৰ " বুলি চিঞৰিব । অনুষ্ঠানটোলৈ গৈ মাইকত ক'লো, " মই টকাৰ বেগ এটা হেৰাই পাইছো । বেগটোত কিমান নোট আছে, কি কি নোট আছে সকলো প্ৰমাণ দিব পাৰিলে বেগটো দিম।" ঘোষণা শুনি "মোৰ হেৰাল" বুলি কেইবাজনো আহিল ।কিন্তু কিমান টকা ক'ব নোৱাৰিলে । অৱশেষত এজন বিহাৰী মানুহ আহিল । তেওঁ বেগটোৰ ৰং, টকাৰ পৰিমাণ, পঞ্চাশ টকাৰ নোট, এশ টকাৰ নোট কেইখন আছিল সকলো শুদ্ধকৈ ক'লে ।তেখেতক বেগটো দিয়াৰ পিছত মোক দুহাজাৰ টকা দিলে । কিন্তু মই নললো । মই যে মোৰ সাত বছৰ বয়সত ৰাতি চাইকেলত বহুৱাই মামাৰ ঘৰত থৈ অহা ভগৱান সদৃশ বিহাৰী মানুহজনক এতিয়াও বিচাৰি ফুৰিছো ।

# শ্ৰী কৃষ্ণৰ ৰাসলীলা

**হিমাদ্ৰী বৰকটকী**
**নগাঁও**

"আহা সখি আহা বাই
বৃন্দাৱনে যাঁও,
বজাইছে মোহন বংশী
নয়ন ভৰি চাঁও"।

ৰাস হৈছে অসমত পালন কৰা এক অন্যতম উৎসৱ। শৰৎ কালৰ পূৰ্ণিমা তিথিত ৰাস অনুষ্ঠিত কৰা হয়। সাধাৰণতে ৰাস কাতি-আঘোণ মাহত উদযাপন কৰা হয়। জনশ্ৰুতি মতে শ্ৰী কৃষ্ণই ৰাধা আৰু যোল্লশ গোপীসকলৰ সৈতে বৃন্দাবন ৰাস নৃত্য কৰিছিল। শ্ৰী কৃষ্ণৰ বাঁহীৰ মাত শুনি গকুল বৃন্দাৱনত থকা গোপীসকলে হাতৰ কাম মাটিত পেলাই কৃষ্ণৰ লগত নৃত্য কৰিবলৈ দৌৰি আহিছিল। ৰাধায়ো শ্ৰীকৃষ্ণৰ বাঁহীৰ মাত শুনি ধপলিয়াই আহিছিল নৃত্য কৰিবলৈ। শ্ৰী কৃষ্ণ বৃন্দাৱনৰ সকলো গোপীৰ বাবে আদৰৰ আছিল। সকলো গোপীয়েই তেওঁক ভাল পাইছিল। সেইকাৰণে শ্ৰী কৃষ্ণৰ লগত নৃত্য কৰিবলৈ যোল্লশ গোপী আহিছিল। ইংৰাজীত সেইকাৰণে "Dance of Divine Love" বুলি ৰাসলীলা কোৱা হয়। অৰ্থাৎ স্বৰ্গীয় প্ৰেমৰ অনুভূতি।

শ্ৰী কৃষ্ণই বঁকুল গছৰ তলত বহি বাঁহী বজাইছিল। ৰাধা আৰু গোপীসকলে মিলি কৃষ্ণৰ লগত নৃত্য কৰি থাকোতেই শংঙ্খচূড় নামৰ অসুৰটো আহি গোপীসকলক ভয় খুৱাইছিল। গোপীসকলে ভয়ত শ্ৰী কৃষ্ণৰ কাষ চাপিছিল। শ্ৰী কৃষ্ণই শংঙ্খচূড়ৰ লগত যুদ্ধ কৰি শংঙ্খচূড়ক বধ কৰি গোপীসকলক ৰক্ষা কৰিলে অসুৰৰ কবলৰ পৰা।

এই ৰাসলীলাত শ্ৰীকৃষ্ণৰ বাল্যকালো প্ৰদৰ্শন কৰা হয়। যিটোত শিশু কৃষ্ণই পুতনা ৰাক্ষসীক বধ কৰিছিল। পুতনাই নিজন স্তনত বিষ দি কৃষ্ণক খুৱাই মাৰিবলৈ বুদ্ধি কৰিছিল। কিন্তু কৃষ্ণই পুতনাৰ স্তনত কামুৰি দি গাৰ ওপৰত উঠি পুতনা ৰাক্ষসীক বধ কৰিছিল। ইয়াৰ জৰিয়তে শিশু কৃষ্ণকো বিশেষ শক্তিৰ আধাৰ বুলি চিহ্নিত কৰা হৈছে। এই সকলো বিলাক দৃশ্য শ্ৰীকৃষ্ণৰ ৰাসলীলাত উপস্থাপন কৰা হয়।

অসমৰ সত্ৰ নগৰী মাজুলীতো শ্ৰী কৃষ্ণৰ ৰাস মহোৎসৱ পতা হয়। মাজুলীত ৰাস চাবলৈ দেশ-বিদেশৰ পৰ্য্যটকৰ সমাগম হয়। সেইকেইদিন মাজুলীত উখল-মাখল পৰিৱেশৰ সৃষ্টি হৈ থাকে। মাজুলীত ৰাস বৰ ধুনীয়া হয়। মাজুলীৰ ৰাসত মুখা শিল্পৰ প্ৰদৰ্শন কৰা হয়।

তাৰোপৰি অসমৰ বিভিন্ন ঠাইত শ্ৰী কৃষ্ণৰ ৰাস উৎসৱ পতা হয়। এই উৎসৱত গাওঁৰে-ভূঁএঃ সকলোতে কণ-কণ ল'ৰা-ছোৱালীয়ে কৰা নৃত্য চাবগলীয়া হয়। সকলোৰে নৃত্য উপভোগ কৰি আনন্দ লাভ কৰে।

গতিকে শ্ৰী কৃষ্ণৰ ৰাসলীলা অসমৰ এক অন্যতম প্ৰধান উৎসৱ। এই উৎসৱ উজনিৰ পৰা নামনি অসমৰ সকলো ঠাইতে উদযাপন কৰা হয়।

## সৰ্বশিক্ষা মিছনৰ

। উক্ত কৰ্মী সকলে ২০০৩ চনৰ পৰাই দাবী উত্থাপন কৰি আহিছে। সময়ে সময়ে বিভাগীয় বাবে আলোচনাও অনুষ্ঠিত কৰি আহিছে যদিও কোনো সুফল পোৱা নাই । কৰ্মী সকলে মুখ্যমন্ত্ৰীক বাৰম্বাৰ সাক্ষাৎতৰ অনুমতি বিচাৰি পত্ৰ প্ৰেৰণ কৰাৰ পাছতো মুখ্যমন্ত্ৰীয়ে আজি পৰ্যন্ত সাক্ষাৎতৰ অনুমতি প্ৰদান কৰা নাই । মুখ্যমন্ত্ৰীয়ে সংস্থাৰ সদস্য সকলক অনুমতি প্ৰদান কৰি আলোচনাৰ মাধ্যমেৰে এই দুৰ্ভগীয়া কৰ্মী সকলৰ সমস্যা সমাধান কৰিব লাগে। আমি আন্দোলন মুখী হ'ব নিবিচাৰোঁ । এই কৰ্মী সকলে তিনিটা দাবী সম্বলিত এখন স্মাৰক পত্ৰ মুখ্যমন্ত্ৰী, শিক্ষা আয়ুক্ত আৰু মিছন সঞ্চালককৈ প্ৰেৰণ কৰা হয়। কৰ্মীসকলক ৬০ বছৰ বয়সলৈ চাকৰিৰ নিশ্চয়তা প্ৰদান কৰি উপযুক্ত দৰমহা প্ৰদান কৰিব লাগে। কৰ্মৰত কৰ্মী সকলৰ মৃত্যু হ'লে কমেও ৫ লাখ টকা আৰ্থিক সাহায্যৰ লগতে চৰকাৰী চাকৰিয়ালৰ দৰে চৰকাৰী সুবিধা সমূহ প্ৰদান কৰিব লাগে।২০২২ চনৰ ৩১ মাৰ্চত এই কেন্দ্ৰ সমূহ বন্ধ কৰাৰ যি প্ৰক্ৰিয়া আৰম্ভ কৰিছে সেই সিদ্ধান্ত বাতিল কৰিব লাগিব নহ'লে অসমত জংগী আন্দোলনৰ কৰা হ'ব। উক্ত সমস্যাসমূহ এক মাহৰ ভিতৰত আলোচনাৰ মাধ্যমেৰে সমাধান নকৰিলে মুখ্যমন্ত্ৰীৰ বাসভৱনৰ সন্মুখত সকলো কৰ্মীৰ পৰিয়ালৰ সদস্য সকলক লগতলৈ আত্ম জাহ দিয়াৰ হুংকাৰ প্ৰদান কৰে সংস্থাই। সংবাদ মেলত উপদেষ্টা গজেন্দ্ৰ কামান, কাৰ্যকৰী সভাপতি জ্যোতিমালা স্বৰ্গীয়াৰী, উপ সভাপতি হাশ্বেম আলী খান, বা'ঁ জিলাৰ সভাপতি আলংবাৰ বড়ো, সম্পাদিকা লীলা বড়ো উপস্থিত থাকে।

## "কবিতাৰ দলং" কবি সন্মিলন সম্পন্ন

কেইশাৰীমান আওৰাই অসমীয়ালৈ অনুবাদ কৰি দিয়ে, আৰু তাৰপিছত 'ভালপোৱা, ভালপোৱা, ভালপোৱা' নামৰ এটি বৰ সুন্দৰ কবিতা পঢ়ি সকলোকে মুহিত কৰে। খৰগপুৰ আই আই টিৰ ইনফ্ৰাষ্ট্ৰাকচাৰৰ বিভাগীয় অধ্যক্ষ ডঃ খনিন্দ্ৰ পাঠকে পাঠ কৰে তেওঁৰ তিনিটা গভীৰ কবিতা, 'প্ৰেমৰ সতে অস্তিত্ব', 'ক'ৰপৰা ক'লৈ আৰু ক'লৈ' আৰু 'পথিক অনন্তৰ'। তিনিচুকীয়াৰ পৰা কবি, নক্ষত্ৰ বীক্ষণ স্কুলৰ অধ্যক্ষা কৌস্তুভমণি শইকীয়া দত্তই তেওঁৰ 'নাহৰ', আৰু 'সোণ হালধীয়া পাত' শিৰোনামৰ সুন্দৰ দুটি কবিতা পাঠ কৰে। সকলোৰে পৰিচিত কবি, গল্পকাৰ, চিনেমা-সমালোচক, সম্পাদক আৰু অৱসৰপ্ৰাপ্ত অধ্যাপক অনুভৱ তুলসীদেৱে প্ৰথমে চুটি কেইটিমান কবিতা পাঠ কৰি 'পানী সম্ভৱ', 'দিন-ৰাতি' আৰু 'অলপ বেছি' কবিতা তিনিটাৰে উপস্থিত ৰাইজৰ মন মোহে। কেলিফ'ৰ্ণিয়াৰ ছান হোজে নিবাসী অৱসৰপ্ৰাপ্ত অভিযন্তা আৰু কবি, লিখক প্ৰণবেন্দ্ৰ শৰ্মা দেৱৰ 'পৰিব্ৰাজক' আৰু 'উন্মুক্ত পথৰ বিমোহিত আকৰ্ষণ' শিৰোনামৰ কবিতা দুটি আৰু ৰসাল বক্তব্যই সকলোৰে সমাদৰ লাভ কৰে। অসম এছ'ছিয়েশ্বন উত্তৰ আমেৰিকাৰ প্ৰাক্তন সাধাৰণ সম্পাদিকা জোনালী বৰুৱাই সভানেত্ৰী, কবি, লিখিকা, অনুবাদক আৰু তিনিটা আমেৰিকান গ্ৰুপৰ প্ৰাক্তন হেড অৱ প্ৰডাকশ্বন, এণ্ড হেড অৱ কমঞ্জপ্লায়েঞ্চ এণ্ড কঞ্জৱালিটি এশ্বিয়'ৰেন্স চৈয়দা জেবীনঞ্জ চাবীৰা শ্বাহৰ বিষয়ে দুই এষাৰ কৈ তেওঁক নিজৰ কবিতা পাঠ কৰিবলৈ অনুৰোধ জনায়। সভানেত্ৰী শ্বাহে তেওঁৰ 'ৰণদুন্দুভি নবজাবা বন্ধু' শীৰ্ষক যুদ্ধ বিৰোধী কবিতাটো আৰু 'পৰ্বত, পাহাৰ আৰু অৰণ্য' শিৰোনামৰ পৰিবেশগত অৱনতিক লৈ লিখা চুটি কবিতা এটি পাঠ কৰি সকলোকে ধন্যবাদজ্ঞ াপন কৰে আৰু ভৱিষ্যতেও অসমৰ সকলো জনগোষ্ঠীৰ মাজত ভালপোৱা, মৰম-চেনেহ অব্যাহত ৰাখিবলৈ কবিতাৰ দলং খোলা ৰাখিব বুলি জনায়।



# কবিতাৰ শিতান

## তোমাৰ শব্দবোৰত পৃথিৱীৰ সকলো চৰাই গান

**মৃগাংক বৰুৱা**

তোমাৰ জোনাক পিছল দেহাত জিলিকে
আমোলমোল গীতৰ গধূলি এটি
যি ভিক্টোৰিয়াৰ নিশাৰ দৰে ধুনীয়া
তোমাৰ শব্দবোৰত
পৃথিৱীৰ সকলো চৰাই গান
তোমাৰ হিয়াৰ
অনুভবি বাঢ়নী পানী, বালিছৰত
বালিছন্দাৰ জিলিকণি
সেয়ে, খহি পৰিব খোজে
আকাশৰ সকলো নক্ষত্ৰ তাত..
আৰু মই ???
মই গঢ়িব খোজো তোমাৰ হৃদয়ত
মহাকাব্যিক অৰণ্য এখন
সিঁচি দি তাতে চিৰ'সেউজ বীজ
যি বীজৰ নাম 'জীৱন'
মৰমৰ বৰষুণে যাক কৰিব জীপাল
তেতিয়াই অনুভৱৰ নৈখনেও
বাগৰ সলাই হ'ব সাগৰ
মনাকাশৰ তৰাবোৰো হ'ব বাখৰ...

## আমাৰ জীৱন...


**নন্দেশ্বৰ মিলি**
**নগাঁও, অসম**




গোটেই দিনটো কামত ব্যস্ত থাকি
যেতিয়া আবেলি ঘৰলৈ বুলি খোজ দিওঁ
চাৰি আলিৰ চ'কত থকা
ৰতন দাইটিৰ দোকানত সোমাই
একাপ গৰম ফিকা চাহৰ স'তে
গল্পৰ মেল পাতোঁ।
শেক্সপীয়েৰৰ নাটকৰপৰা
বেজবৰুৱাৰ সাহিত্যলৈ
ৰাজেশ খান্নাৰ চিনেমাৰপৰা
ৰণবীৰ সিঙৰ চিনেমালৈ
ঘূণাসুঁতিৰ পানৈ-জংকিৰপৰা
মায়া নগৰীৰ কৰীণা-চৈফৰ বিবাহলৈকে...
বিষ্ণু -জ্যোতি-ভূপেনৰ সংগীতৰপৰা
জুবিন-দীপলিনাৰ গানলৈকে।
ৰাজনীতি-সমাজনীতি-অৰ্থনীতি
কবিতা-চিনেমা-সাহিত্য-সংগীত
প্ৰেম-বিচ্ছেদ, সফল-বিফল সকলোখিনি
সাৰ পাই উঠে মেলত।
ইফালে ঘৰত আইজনীয়ে
মোলৈ বাট চাই চাই
ভাগৰি পৰে ছাগৈ'
ঘৰখন পাতিব লাগে বুলি
আইয়ে কৈ কৈ
কামৰ ব্যস্ততা দেখুওৱাই
আঁতৰি ফুঁৰিছো ময়েই।

## তুমি চাগে...

**নাৰ্চছাছ কাশ্যপ**



তুমি চাগে বৈ আছা
বাঁকিয়াইদি আহি থকা ক'লী
ছাগলীজনীৰ
এড়ালডাল খামুচি ধৰি যোৱাৰ কথা
ভাৱি
কোনোবা পথাৰৰ চেঁচা বাটটোত।
তুমি চাগে ভাৱি আছা
পথাৰৰ নৰাবোৰ বিশৃংখল হৈ পৰি
থকা
দেখি তাৰ ওপৰেৰে পাৰ হোৱা
ধুমুহা এজাকৰ কথা
তুমি চাগে জানিছাই
শীতৰ চেঁচা চাদৰে মেৰাই ধৰা
গধূলিটোত
মই নাই
তোমাৰ মুখলৈ কেৰাহিকৈ চাই
ক'বলৈ
ঘৰত কোনো নাই নি
এই চিকিমিকি সময়ত অকলে যে
আহিছা
তুমি চাগে বুজি উঠিছা
ৰহঢলা পথাৰৰ নিজান আলিত
সুহুৰি বজাবলৈ এতিয়া বহু বেলি
হ'ল
আজিলৈ মই যাব নোৱাৰিম
পাৰিলে কাইলৈ যাম
তুমি চাগে সজোৰে আঁজুৰি আনিছা
বতাহে উৰুৱাই যোৱা তোমাৰ
কমলা ৰঙৰ
ফুটফুটীয়া দোপাত্তাখন আৰু পুনৰ
গঢ়ি দিছা
তাৰ ভাঁজবোৰ।
তুমি চাগে কাণৰ কাষত আলফুলে
গুজি দিছা
তোমাৰ বতাহে ঢৌ খেলোৱা
অলকানন্দা
কুঁৱলীয়ে ফুল বছা তোমাৰ বাউলী
চুলি
তুমি চাগে আজিও বৈ আছিলা
ছাগলীজনী অনাৰ ছলেৰে
শীতৰ সন্ধিয়াবোৰ মিঠা কথাৰে
উমাল কৰিবলৈ
ল'ছালিবোৰে চেংগুটি খেলা
আলিটোৰ কাষত
তুমি চাগে আজিও যাবাগৈ
অভিমানৰ পেৰাটো সামৰি
অপেক্ষাৰ অন্ত পেলাই
আকৌ এবাৰ লগ পোৱাৰ আশাৰে।
তুমি চাগে নৈ এখন
সেয়ে উটুৱাই লৈ যোৱা অপ্ৰাপ্তিৰ
সকলো বেদনা
আৰু ধোৱাই যোৱা মোৰ শেলুৱৈ
ধৰা হৃদয়ৰ
অগাদেৱা ভাৱনা।

## হেৰুৱা মাদকতা

**ময়ূৰাক্ষী গগৈ**
**যোৰহাট**



মনত পৰেনে বাৰু বন্ধু,
তাহানিৰ সেই
সেলেঙি ধৰা মুখৰ ককা আৰু
থুনুক-থানাক মাতৰ নাতি ল'ৰাৰ
আপোনভোলা হাঁহি বোৰ।
মনত পৰেনে বাৰু বন্ধু,
চেংগুটি, টাংগুটি খেলি
নিজকে পাহৰি যোৱা
শৈশৱৰ ধেমেলীয়া দিনবোৰ।
মনত পৰেনে বাৰু বন্ধু,
সোণোৱালী পথাৰত
দাৱনী হঁতে খোৱা মুখলৈ পানী অহা
ৰবাব টেঙাৰ সোৱাদ বোৰ।
মনত পৰেনে বাৰু বন্ধু,
পাকঘৰৰ জুহালত ৰন্ধা
আইতাৰ হাতৰ জুতিলগা
মাছৰ টেঙা আঞ্জা খন।
তাহানিৰ সেই মাদকতা বোৰ,
পাহৰিব পাৰিনে বাৰু বন্ধু ?

## দুৱাৰ দলিত বসন্ত

**চৈয়দা জেবীন চাবীৰা শ্বাহ**
**নিউয়ৰ্ক, আমেৰিকা**

(অকালতে সৰি পৰা এক আৰক্ষীৰ নামত উৎসৰ্গিত)
পথৰ সিপাৰৰ খেল-পথাৰ খনিত
জাক-জাক ল'ৰা-ছোৱালীৰ হাঁহি খিকিন্দালিত
আমাৰ নিজম ঘৰ হৈ উঠে জীৱন্ত,
কোনোটো প্ৰশান্ত, কোনোটো অশান্ত
কোনোটো আকৌ দুৰ্দান্ত ।
সিহঁতৰ কোলাহল খুন্দা খাই সুউচ্চ বেৰত
যেন খেলি থকা স্কোৱাশ বল।
ভিতৰত জুহালৰ সুগন্ধি বতাহত ফুৰিছে উৰি
ভাগিনীহঁত আহিব আজি মহানগৰী ফুৰি,
একমাত্ৰ মোমাইৰ শিল্পী হাতে আলফুলে থৈ যায় ইখনৰ পিছত সিখন
ডোঙা, দেখিলেই জিভাপানী পৰা
খাদ্যৰ লানি নিচিগা শাৰী।
পিয়াঁজ-নহৰু-আদা, লং-ইলাচী-দালচেনী-তেজপাত,
তাতোকৈ বেছি ঢালিছে অজস্ৰ মৰম তাত
আলফুলে সেউজীয়া মিহিকৈ কুটা ধনীয়া পাত।
ঘৰৰ ধূলি মাকতি মোহাৰি থাকোতে
কাণত আহি খুন্দা মাৰে
পাৰ্কত খেলি থকা বলৰ দৰে,
তোমাৰ নামে ক্ষণে ক্ষণে
খুন্দা মাৰে উফৰি যায়
আকৌ আহি পৰে;
মাথো মোৰ কোঠালিত
কোনো বেৰ নাই
কোনো মজিয়া নাই
মাথো আকাশ চৌদিশে!
তাৰেই কৰবাত নেদেখা কোনোবা কোণত
তোমাৰ নামে খুন্দা মাৰি যায় আৰু আহে,
হৃদয়ৰ ছন্দৰ তালে তালে,
লগে লগে, পলে পলে!

জনতাৰ চৰকাৰ | my GOV मेरी सरकार

# অসম লোকসেৱা অধিকাৰ
# সেৱাৰ নিশ্চিতি, জনতাৰ সবলীকৰণ

rtps.assam.gov.in

সহাঁৰি XOHARI

## উপলব্ধ সেৱাসমূহ
## ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগ

- বিবাহ পঞ্জীয়ন
- সম্পত্তিৰ নথি-পত্ৰৰ পঞ্জীয়ন
- সম্পত্তিৰ মালিকীস্বত্বৰ পৰিৱৰ্তন
- ভূমি ৰেকৰ্ডৰ প্ৰামাণিক প্ৰতিলিপি
- নন-এনকম্ব্ৰেন্স প্ৰমাণপত্ৰ
- পঞ্জীভুক্ত বিক্ৰী দলিলৰ প্ৰামাণিক প্ৰতিলিপি
- পৰিৱৰ্তন ক্ৰমৰ প্ৰামাণিক প্ৰতিলিপি
- নিখুঁত বিভাজন
- ভূমিৰ পুনৰ শ্ৰেণী বিভাজনৰ বাবে এন অ' চি
- পুনৰ শ্ৰেণী বিভাজন তথা স্থানান্তৰৰ বাবে এন অ' চি
- স্থাৱৰ সম্পত্তি স্থানান্তৰৰ বাবে এন অ' চি

JANASANYOG- 2453/21

সবিশেষ জানিবলৈ/সহায়ৰ বাবে
এ আৰ টি পি এছ হেল্পলাইন নম্বৰ ১৮০০-৩৪৫-৩৫৭৪ ডায়েল কৰক

অসম লোকসেৱা অধিকাৰ আইন, ২০১২ (২০১৯ চনৰ সংশোধন অনুসৰি)

পঞ্জীয়ন কৰক : assam.mygov.in /mygovassam

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত
Follow us /@diprassam https://dipr.assam.gov.in/

E-mail us-
rongilibartamedhi@gmail.com

Postal Redg. No. GH- 098/ 2015 - 17

**Rongili Barta**
GUWAHATI—781025

৪ আঘোণ, ১৪২৭ চন Rongili Barta, Date of Publication-- 21 November, 2021

## সম্প্ৰতি অসমত পৰিৱৰ্তনশীল চৰকাৰৰ

কথাই প্ৰকাশ হৈ পৰিব। এই যে উচ্ছেদ সেয়া চৰকাৰে অনুমোদন জনোৱা প্ৰকল্পবোৰ ৰূপায়ন কৰাৰ কাৰনে নে অসম চুক্তি ৰূপায়নৰ বাবে? এই বিষয় বিলাকো চৰকাৰে প্ৰকাশ কৰা উচিত। কাৰন অসমতো এতিয়া আদানি, আম্বানীৰ দৰে পুঁজিপতি ব্যবসায়ীৰ দপদপনি আৰম্ভ হোৱাৰ দিশত।এনে ধৰনৰ উচ্ছেদ অভিযানৰ লগত ভোটৰ অংকও জৰিত আছে বুলি বহুতে ক'ব খোজে। কাৰন অসমৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই মুকলি ভাবে ব্যক্ত কৰিছিল যে বি জে দলক মিঞা জনগোষ্ঠীয়ে ভোট নিদিয়ে কাৰনে মিঞা সকলৰ পৰা বি জে পিয়ে ভোট নিবিচাৰে । কিন্তু মিঞা সকলৰ উন্নয়নমূলক কামবোৰ বি জে পি চৰকাৰে নিশ্চয়কৈ কৰি যাব। এই উচ্ছেদ ভয়-ভীতিৰে মিঞা সকলৰ পৰা ভোট আদায় কৰাৰ এটি প্ৰক্ৰিয়াও হ'ব পাৰে।

ইফালে ৪ ৫ বছৰ পূৰ্বৰ পৰা ইছলাম ধৰ্ম, হজৰত মহম্মদ ছঃ আৰু কোৰান গ্ৰন্থ সম্পৰ্কত বিৰূপ মন্তব্যৰে অসমত এটি অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি কৰিবলৈ যত্নৰ কিঞ্চিতমানো ত্ৰুটি নকৰা সত্যৰঞ্জন বৰা সম্পৰ্কত অসমৰ সাধাৰন প্ৰশাসন আৰু আৰক্ষী প্ৰশাসনৰ তৰফৰ পৰা সাম্প্ৰতিক সময়লৈ কোনো ধৰনৰ আইনগত ব্যৱস্থা গ্ৰহন কৰা দৃষ্টিগোচৰ হোৱা নাই। দিনক দিনে সত্যৰঞ্জন বৰাৰ ইছলাম ধৰ্মৰ সম্পৰ্কত বিকৃত মন্তব্যৰ পৰিমান কমা নাই বাঢ়িহে গৈছে। বৰাই কেৱল ইছলাম ধৰ্ম, হজৰত মহম্মদ ছঃ আৰু কোৰান গ্ৰন্থৰ ওপৰত বিকৃত মন্তব্য কৰিয়েই এৰি দিয়া নাই, তেওঁ ইং ১৬৩৬ খ্ৰীষ্টাব্দত সুদূৰ ইৰাকৰ বাগদাদ চহৰৰ পৰা আহি শিবসাগৰ জিলাৰ শ'ৰাগুৰি চাপৰিত বসতি কৰি স্থানীয় অসমীয়া ভাষা নিৰ্ভুল ভাবে শিকি মহাপুৰুষ শ্ৰীমন্ত শংকৰ দেব আৰু শ্ৰী শ্ৰী মাধব দেবৰ বৰগীতৰ আৰ্হিত ৰছনা কৰা জিকিৰ সম্পৰ্কটো যথেষ্ঠ পৰিমানে বিতৰ্কিত মন্তব্য কৰিছে। বৰাই পাকে প্ৰকাৰে এইটো প্ৰতিপন্ন কৰিবলৈ বিচাৰিছে যে জিকিৰ আজান ফকিৰে ৰছ্না কৰা নাই ।বৰাৰ ভাষাত অসমৰ বৌদ্ধিক জেহাদী চৈয়দ আব্দুল মালিকেহে এই জিকিৰ ৰছনা কৰি কাল্পনিক চৰিত্ৰ আজান ফকিৰক সৃষ্টি কৰিছিল। বৰাৰ মতে আজান ফকিৰৰ মুল বাসস্থান বাগদাদ চহৰ হেনো আফগানিস্থানত। গতিকে তেওঁৰ মতে আজান ফকিৰ তালিবানী। এইজন সত্যৰঞ্জন বৰাই সংবাদ মেলত সাংবাদিক সকলৰ সমুখত এক প্ৰকাৰ ঘোষনা কৰিছে যে প্ৰয়োজন সাপেখক্ষে তেওঁ মুছলমানৰ মুন্ড চিঙি ৰক্তপান কৰিবলৈয়ো কুণ্ঠাবোধ নকৰে।এই বিষয়বোৰ সম্পৰ্কত বৰাই হেনো গৱেষনাও কৰি আছে। এতিয়া কথা হৈছে যিজন ব্যক্তিয়ে বাগদাদ আফগানিস্থান নে ইৰাকত নাজানে, আজান ফকিৰৰ প্ৰকৃত নাম শ্বাহ মিৰান নে শ্বাহ মিনাৰ নাজানে সেইখন গৱেষনা গ্ৰন্থত কি লিপিবদ্ধ হ'ব বাৰু? কেৱল ইছলাম ধৰ্ম, হজৰত মহম্মদ ছঃ আৰু কোৰান গ্ৰন্থ সম্পৰ্কত নানান মনেসজা ব্যাখ্যাহে গৈ থাকিব। বৰাই লিখাৰ "ইছলাম আৰু কোৰানৰ কলংকিত কথাবোৰ" গ্ৰন্থ খনৰ উত্তৰ স্বৰূপে মুছলমানসকলে লিখি প্ৰকাশ কৰা " ভ্ৰান্তি ভংগ" সম্পৰ্কত কিন্তু সত্যৰঞ্জ ন বৰাৰ কিন্ত কোনো প্ৰতিক্ৰিয়া এতিয়ালৈ প্ৰকাশ কৰা নাই। কাৰন কিতাপ খন তেওঁ এতিয়ালৈকে পঢ়াই নাই। ইয়াৰ কাৰন কি? আশ্চৰ্যজনক বিষয় যে এই জন সত্যৰঞ্জন বৰাৰ ওপৰত অসমৰ প্ৰায়বিলাক থানাতে গোচৰ দাখিল হৈ থকাৰ পিছতো তেওঁক এতিয়ালৈ অসম আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা নাই । বৰঞ্চ তেওঁক অসম চৰকাৰে নিৰাপত্তাৰক্ষীহে প্ৰদান কৰিছে অসম আৰক্ষীৰ হতুৱাৰ। পিছে সাম্প্ৰদায়িক মন্তব্য কৰাৰ অজুহাতত ধিং বিধান সভা সমষ্টিৰ বিধায়ক মৌলানা আমিনুল ইছলাম, ধৰ্মীয় সন্ত্ৰাসবাদক সমৰ্থন কৰি চ'চিয়েল মেডিয়াত পোষ্ট দিয়াৰ কাৰনে এ আই ডি ইউ এফ তথা অসম ৰাজ্যিক জমিয়ত উলামাৰ সাধাৰন সম্পাদক মৌলানা ফজলুল কৰিম কাছিমীক গ্ৰেপ্তাৰ কৰি জেল হাজোতলৈ প্ৰেৰন কৰা হৈছিল। পিছলৈ অৱশ্যে বিধায়ক গৰাকীৰ মন্তব্যৰ সমৰ্থনত দিল্লীৰ এগৰাকী মহিলা চিকিৎসা বিষয়াৰ ভিডিঅ ভাইৰেল হৈছিল আৰু ভাৰতৰ সভাপতিত্বত আমেৰিকাত ৰাষ্ট্ৰ সংঘৰ স্থায়ী আৰু অস্থায়ী ১৩ খন দেশৰ মাজত অনুষ্ঠিত হোৱা সভাত তালিবানৰ সপক্ষে ১৩ ভোট পৰিছিল। তাৰমানে আন দেশৰ লগতে ভাৰতেও তালিবানক সমৰ্থন কৰি ভোট দিছিল।

**(আগলৈ)**

আই পদৰ আবেদনৰ বাবে সাধৰণ শ্ৰেণীৰ বয়সৰ সময় সীমা ৰাখিছে মাত্ৰ ২৪(24) বছৰ। আকৌ এই পদৰ পৰীক্ষাত অৱতীৰ্ণ হবলৈ সৰ্বনিম্ন স্নাতক ডিগ্ৰী থকাটো বাধ্যতামূলক। কিন্তু প্ৰকৃততে এজন প্ৰাৰ্থীয়ে ২২ বা ২৩ বছৰ বয়সতহে স্নাতক ডিগ্ৰী লাভ কৰিবলৈ সক্ষম হয়। ইয়াৰ বাহিৰেও বিভিন্ন সময়ত বিভিন্ন কাৰণত এনেকুৱা এটা পদত আৱেদন পৰা নিযুক্তি হোৱাৰ সময়লৈ অতি কমেও ২-৩ বছৰ সময় গুচি যায়। তেনে ক্ষেত্ৰত বহু ডেকা যুৱক যুৱতীয়ে অসম আৰক্ষীৰ এই মহান এছ আই হোৱাৰ সপোন দেখিও অকল সেই নিম্ন মানৰ বয়সৰ তাৰতম্যৰ বাবেই বুকুৰ সপোন বুকুত বান্ধি বিষাদত ভাগি পৰি বিভিন্ন সময়ত সন্ত্ৰাসবাদীৰ দৰে গোটত অংশ গ্ৰহণ কৰাৰ বাতৰি প্ৰকাশ পাই আহিছে। আকৌ এই বিভাগৰেই কণিষ্ঠ সহায়ক পদৰ নিযুক্তিৰ বাবে আবেদনৰ ক্ষেত্ৰত সাধাৰণ শ্ৰেণীৰ প্ৰাৰ্থীৰ বয়সৰ অন্তিম সময়সীমা ৰাখিছে ২৫ বছৰ আৰু শিক্ষাগত অৰ্হতা ৰাখিছে হাই চেকেণ্ডাৰী (HS) পাছ। কিন্তু এছ আই পদৰ বাবে অৰ্হতা ৰখা হৈছে নিম্নতম স্নাতক ডিগ্ৰী কিন্তু বয়স আকৌ কণিষ্ঠ সহায়ক পদৰ বাবে প্ৰয়োজনীয় বয়সতকৈ কম মানে ২৪(24) বছৰ। ওপৰৰ কথাখিনিৰ যদি ভালদৰে উনুকিয়াই চোৱা হয় দেখা যায় যে এই এছ আই পদৰ বাবে প্ৰাৰ্থীৰ বয়স লাগে কম কিন্তু শিক্ষাগত অৰ্হতা লাগে বেছি। আকৌ কণিষ্ঠ সহায়ক পদৰ বাবে অৰ্হতা লাগে কম কিন্তু বয়স দিছে বেছি। এই গোটেই প্ৰক্ৰিয়াটোৰেই এটা দোধোৰ মোধোৰ অৱস্থাত আছে। আৰক্ষীৰ এছ আই পদৰ পৰীক্ষাত অৱতীৰ্ণ হবলৈ শিক্ষাগত অৰ্হতাৰ ক্ষেত্ৰত ৰখা ব্যৱস্থাটো ঠিকেই আছে কিন্তু প্ৰাৰ্থীৰ আবেদনৰ বয়সৰ সময় সীমাৰ ক্ষেত্ৰত ৰখা ব্যৱস্থাটো কেতিয়াও মানি লব পৰা বিধৰ নহয়। কিয়নো এটা গ্ৰেজুয়েট পদৰ বাবে বয়সৰ অন্তিম সীমা ২৪(24) বছৰ কেতিয়াও কাম্য নহয়। বেলেগ ৰাজ্যৰ ক্ষেত্ৰত যদি এই পদৰ বয়সৰ সময় সীমা ৩০ বছৰ তেনেহলে আমাৰ ৰাজ্যৰ ক্ষেত্ৰত কিয় মাত্ৰ২৪(24) বছৰ? ইয়াৰ কাৰণ স্বৰূপে কব পাৰি অসম পুলিচত নিযুক্তিৰ ক্ষেত্ৰত এতিয়াও সেই তাহানিৰ ৰীতি নীতি সমূহেই এতিয়াও ব্যৱহাৰ কৰি আহিছে। গতিকে এই ৰীতি নীতি সমূহ কিছু সলনি কৰি আগন্তুক সময়ত ওলাব লগীয়া পদ সমূহৰ বাবে প্ৰাৰ্থীৰ বয়সৰ সময় সীমাৰ ক্ষেত্ৰত কেতবোৰ ব্যৱস্থা গ্ৰহণ কৰি অন্য ৰাজ্যৰ সদৃশ কৰি গঢ়ি তোলাৰ প্ৰয়োজনীয়তা নিশ্চিত ভাবে আছে। বিশেষকৈ এছ আই পদৰ বাবে আবেদনৰ ক্ষেত্ৰত বয়সৰ তাৰতম্য ঘটোৱাটো নিতান্তই প্ৰয়োজন। পৰিৱৰ্তনগামী চৰকাৰৰ পৰিৱৰ্তনশীল মুখ্যমন্ত্ৰী মহোদয়ে এই ক্ষেত্ৰত পূৰ্ণপয্যায়ৰে এই গোটেই বিষয়টো হস্তক্ষেপ কৰি কম সময়ৰ ভিতৰত ব্যৱস্থা গ্ৰহণ কৰি পৰিবৰ্তনৰ অন্য এটা মাত্ৰা প্ৰদান কৰিব বুলি আশা ৰাখিলো।

## বয়ঃসন্ধি- আবেগ - অনুভূতি

সাধাৰণতাৰ প্ৰয়োজনৰ বাবে শিক্ষকৰ দায়িত্ব আহি পৰে। প্ৰচলিত ধ্যান-ধাৰণা শৃংখলা আৰু সন্মান সহকাৰে প্ৰত্যাহ্বান জনাবলৈ ছাত্ৰ ছাত্ৰীক শিকাব লাগিব। সুস্থ চিন্তা বোধৰ বাবে ছাত্ৰ -ছাত্ৰীক বিভিন্ন ধৰণৰ সৃজনীশীল কামত নিজকে ব্যস্ত ৰাখিবলৈ সুপথৰ সন্ধান দিব লাগে। ইয়াৰ বাবে তেওঁলোকক ৰুচি অনুসৰি খেলা-ধূলা, নৃত্য-গীত, ছবি অঁকা, পেলনীয়া সামগ্ৰীৰে বিভিন্ন বস্তু তৈয়াৰ কৰা, কাগজৰ ফুল তৈয়াৰ কৰা, কবিতা, গল্প, প্ৰবন্ধ আদি লিখা, মাটিৰে বস্তু সজা ইত্যাদি সৃজনীমূলক কামত নিজকে ব্যস্ত ৰাখিবলৈ উৎসাহিত কৰিব লাগে। নিজৰ প্ৰতি হেয় ভাব, ঋণাত্মক প্ৰতিচ্ছবি অথবা হতাশগ্ৰস্ততাত ভোগা ছাত্ৰ ছাত্ৰীক শিক্ষকে বিশেষ ভাৱে গুৰুত্ব আৰোপ কৰি তেওঁলোকৰ আত্মবিশ্বাস বঢ়াবৰ বাবে মানৱ জীৱনৰ উদ্দেশ্য- গুৰুত্ব ব্যাখ্যাৰ লগতে মহান ব্যক্তিসকলৰ যেনে এ পি জে আব্দুল কালাম, স্বামী বিবেকানন্দ, মহাত্মা গান্ধী আদিৰ জীৱনাদৰ্শ অধ্যয়ন কৰিবলৈ দিব লাগে। বিশিষ্ট বিজ্ঞানীৰ ৰসাল কথাৰে তেওঁলোকক উৎসাহিত কৰিব লাগে যাতে তেওঁলোকৰ হতাশা দূৰ হয়। অধ্যয়নে মনত একাগ্ৰতা জন্মায়। সেয়ে অধ্যয়নত ব্ৰতী হবলৈ ছাত্ৰ-ছাত্ৰীক অনুপ্ৰাণিত কৰিব লাগে। ছাত্ৰ-ছাত্ৰীসকলক বিভিন্ন গঠনাত্মক, সৃজনীমূলক, আকৰ্ষণীয়, জ্ঞানমূলক মনোৰঞ্জনৰ কাৰ্যসূচী বোৰহে উপভোগ কৰাৰ পৰামৰ্শ প্ৰদান কৰিব লাগে। সেই বোৰৰ পৰা লাভ কৰা জ্ঞান- অভিজ্ঞতাক বাস্তৱ জীৱনত প্ৰয়োগ কৰিবৰ বাবে উৎসাহ-উদ্দীপনা যোগাব লাগে। ইয়েই ছাত্ৰ-ছাত্ৰীৰ আবেগ-অনুভূতি আৰু চিন্তাবোধক সুচাৰুৰূপে পৰিচালিত কৰিব পাৰিব। আনৰ প্ৰতি কৰুণা, সহানুভূতি, অনুকম্পা আৰু আন এজনৰ আবেগ-অনুভূতিৰ সৈতে একাত্মতা অনুভৱ কৰিব পৰা মানসিকতা যাতে গঢ়ি উঠে তাৰ বাবে শিক্ষক- শিক্ষয়িত্ৰী সকলে বিভিন্ন কাহিনীৰ আলমলৈ নিস্বাৰ্থ সেৱা আগবঢ়াবলৈ পোৱা সুযোগৰ সদ্ ব্যৱহাৰ আৰু সংবেদনশীলতা গঢ়ি তুলিবলৈ আদি পাঠ প্ৰদান কৰিব লাগে। বৰ্তমান জটিলতা পূৰ্ণ আৰু সম্পূৰ্ণ প্ৰতিযোগিতা মূলক সামাজিক পৰিস্থিতিত ছাত্ৰ-ছাত্ৰীৰ সুস্থ জীৱন যাত্ৰাৰ বাবে শিক্ষক শিক্ষয়িত্ৰীৰ সুপৰামৰ্শ আৰু নিৰ্দেশনা অপৰিহাৰ্য। বিশিষ্ট ব্যক্তি পাৰ্ছিনানে কৈছে যে বিদ্যালয় এখন কৃত্ৰিম সমাজ য'ত সমাজৰ মংগলজনক আৰু গুৰুত্বপূৰ্ণ দিশটোহে প্ৰতিফলিত হয়। গতিকে প্ৰকৃত মানৱ সম্পদ গঢ়ি সমাজলৈ উপহাৰ দিয়াৰ দায়িত্বও শিক্ষক সকলেই ল'ব লাগিব।

ৰঙিলী বাৰ্তা কৰ্ত্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
**প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ স্বগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ**
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286